# ছিপাঝাৰ মহাবিদ্যালয় আলোচনী



## ৰূপালী জয়ন্তী বৰ্ষ

১৯৯৫-৯৬

SIPAJHAR COLLEGE LIBRARY
Estd.-1971
Date
P.O.-SIPAJHAR DARRANG

## সম্পাদনা সমিতি

**সভাপতি**
অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ

**তত্বাৱধায়ক**
ড° ৰামচন্দ্ৰ ডেকা

**সম্পাদক**
দিপেন বড়া

**সদস্য**
অধ্যাপক দেৱব্ৰত বৰদলৈ
অধ্যাপক মুকুল চহৰীয়া
অধ্যাপিকা হেমজ্যোতি ডেকা
ইছাহাৰ আলি
মঞ্জুমণি ডেকা
হ্বীজেন নাথ
জয়ন্ত নাথ
ৰবীমণি শৰ্মা

বেটুপাত ঃ হিৰণ্য কুমাৰ নাথ

ছপা ঃ গ্ৰাফিকা ডিজাইন ষ্টুডিঅ'
পাণবজাৰ, গুৱাহাটী -১

**কৃতজ্ঞতা স্বীকাৰ ঃ**

সম্পাদনা সমিতি
ছিপাঝাৰ মহাবিদ্যালয় সাহিত্য চ'ৰা
শিক্ষাগুৰু বৃন্দ
কৰ্মচাৰী বৃন্দ
গ্ৰাফিকা ডিজাইন ষ্টুডিঅ'
লেখক-লেখিকা সকল
ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল

ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দ্বাৰা প্ৰকাশিত

## উচৰ্গা

যি সকল বিদ্যানুৰাগী ৰাইজৰ
চেষ্টাত এই মহাবিদ্যালয়খনি
গঢ়লৈ উঠিল, সেই সকল
নমস্য ব্যক্তিৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা
আৰু পৰম কৃতজ্ঞতাৰে এই সংখ্যা
ছিপাঝাৰ মহাবিদ্যালয় আলোচনী
উচৰ্গা কৰা হ'ল

## অশ্ৰু-অঞ্জলি

বিগত বছৰটোত আমাৰ মাজৰ পৰা
চিৰদিনৰ বাবে আতৰি যোৱা
জ্ঞাত-অজ্ঞাত সকলোৰে
সোঁৱৰণত অশ্ৰু-অঞ্জলি
যাচিছোঁ

সম্পাদক



অকালতে যি গছি বন্তি নিৰ্বাপিত হ'ল
স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ
স্বৰ্গীয় নাৰায়ণ চন্দ্ৰ নাথ

## তত্ত্বাৱধায়কৰ এযাৰ •••

সাধনা অবিহনে সিদ্ধি লাভ কৰি জীৱন উপভোগ কৰিব বিচৰাৰ এক ৰোগাক্ৰান্ত মানসিকতাত নিমজ্জিত বৰ্তমান অসমৰ ছাত্ৰ সমাজ। সাহিত্য সাধনাৰ ক্ষেত্ৰতো মহাবিদ্যালয় পৰ্যায়ত অবিৰত সাহিত্য সাধনাত ব্ৰতী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অতি পুতৌজনক। বছৰে বছৰে কেইবাহাজাৰো টকা ব্যয় কৰা হয় ছাত্ৰ-ছাত্ৰীৰ সাহিত্য সাধনাৰ প্ৰতিফলক মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ নামত। বহু ছাত্ৰ-ছাত্ৰীয়ে এই আলোচনী সমূহত আত্ম-প্ৰকাশ কৰে লেখক হিচাপে, লেখিকা হিচাপে। কিন্তু তাৰ পিছত আৰু কোনোদিনে সেই ছাত্ৰ-ছাত্ৰী সকলে কলম হাতত তুলি নলয় কিয়? এই প্ৰশ্নৰ উত্তৰ হ'ল- সেই সকল ছাত্ৰ-ছাত্ৰীয়ে কোনো দিনে নিজক প্ৰশ্ন কৰা নাই তেওঁ কিয় লেখিব? কি লেখিব? কাৰ বাবে লেখিব? যশস্যা লাভ কিম্বা অৰ্থ আহৰণ সাহিত্য সাধনাৰ মুখ্য উদ্দেশ্য নহয়; আনুষংগিক বিষয়হে। বিশ্ব প্ৰকৃতিৰ অনন্ত সৌন্দৰ্যৰাশিয়ে যি গৰাকী ছাত্ৰৰ হৃদয় পুলকিত কৰা নাই, প্ৰকৃতিৰ ধ্বংস যজ্ঞ দেখি যি গৰাকী ছাত্ৰৰ বিবেক দংশন হোৱা নাই, মানুহৰ সীমাহীন দুখ দেখি যি গৰাকী ছাত্ৰৰ অন্তৰতবেদনাৰ সৃষ্টি হোৱা নাই, অন্যায়-অবিচাৰ শোষণ, নিষ্পেষণ, সীমাহীন দুৰ্নীতি দেখি যি গৰাকী ছাত্ৰৰ মুখত প্ৰতিবাদৰ ভাষা উচ্চাৰিত হোৱা নাই, জাতীয় ঐতিহ্যৰ প্ৰতি যি গৰাকী ছাত্ৰৰ অন্তৰত ভালপোৱা উদয় হোৱা নাই, যি গৰাকী ছাত্ৰৰ অন্তৰত আত্ম-জিজ্ঞাসাৰ উদয় হোৱা নাই- তেনে এগৰাকী ছাত্ৰই নিজকে সাহিত্যৰ সাধক বুলি পৰিচয় দিব বিচৰাতো আত্ম-প্ৰতাৰণা মাত্ৰ।

অসমৰ বহুতো যুৱক-যুৱতী বৰ্তমান বিভিন্ন সশস্ত্ৰ বিপ্লৱী সংগঠনৰ সৈতে জড়িত। তেওঁলোকেও নিজকে প্ৰশ্ন কৰক- তেওঁ কিয় বিপ্লৱ কৰিছে? কি বিপ্লৱ কৰিছে? কাৰ বাবে বিপ্লৱ কৰিছে? যিদৰে যশস্যা আৰু অৰ্থ লাভ সাহিত্য-সাধনাৰ উদ্দেশ্য আৰু লক্ষ্য নহয়, ঠিক তেনেদৰে ক্ষমতা আৰু ভোগ আহৰণ বিপ্লৱৰ উদ্দেশ্য আৰু লক্ষ্য নিশ্চয় নহয়!

আমি এনে কথাৰ অৱতাৰণা এই কাৰণেই কৰিছো যে, এই সকল ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীৰ ওপৰতেই অসমৰ ভৱিষ্যৎ শান্তি-সমৃদ্ধি নিৰ্ভৰ কৰিছে। তেওঁলোকে আত্ম-প্ৰতাৰণাৰ বাট এৰি আত্ম-জিজ্ঞাসাৰ প্ৰকৃত সাধনাৰ বাট গ্ৰহণ কৰক।

ধন্যবাদ
**ড° ৰামচন্দ্ৰ ডেকা**
তত্ত্বাৱধায়ক
ছিপাঝাৰ মহাবিদ্যালয় আলোচনী
২৪-১-৯৭

# সূচীপত্ৰ


| | | |
|---|---|---|
| সম্পাদকীয় | | |
| **প্ৰবন্ধ :** | | |
| স্মৃতিৰ টুকুৰা বুটলি | অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ | ১ |
| ছিপাঝাৰ মহাবিদ্যালয় তেতিয়া আৰু এতিয়া | মুকুল কুমাৰ চহৰীয়া | ৫ |
| অঙ্কীয়া নাটৰ কলা-কৌশল আৰু বিষয়বস্তু | দিপালী চহৰীয়া | ৮ |
| পৰিবেশ বিজ্ঞানৰ জ্বলন্ত সমস্যা "প্ৰদূষণ" | বাবুল চন্দ্ৰ শৰ্মা | ১১ |
| সঙ্গীত আৰু ভাৰতীয় সঙ্গীত | কৰবী বৰুৱা | ১৩ |
| শিক্ষা ব্যৱস্থা আৰু শিক্ষাৰ মাধ্যম | মুকুট বড়া | ১৬ |
| **গল্প :** | | |
| জয়-পৰাজয় | ধ্ৰুৱজ্যোতি নাথ | ১৯ |
| মৃত্যু লগত সন্ধান | শশীন্দ্ৰ শৰ্মা | ২৩ |
| ঋণ | কল্পণা ৰাণী শৰ্মা | ২৫ |
| অশৰীৰি আত্মা | ভূপেন কেওঁট | ২৬ |
| অভিনয়ত যদি মৰম বয় | নগেন চন্দ্ৰ বৰুৱা | ২৮ |
| অনুতাপ | দিলীপ কুমাৰ শৰ্মা | ৩০ |
| **কবিতা শিতান :** | | ৩২-৪৬ |
| **English Section** | | |
| Poem | | ৪৮-৫১ |
| Silver Jubilee | Prof. Debabrata Bordoloi | ৫২ |
| Innovation in Education... | Sutana Rezia | ৫৭ |
| Role of Educational Institutions ... | Prof. Mohini Goswami | ৬০ |
| বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন | | ৬৪-৬৭ |
| মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল | | ৬৮-৭৩ |


# সম্পাদকীয়

সাহিত্য হ'ল এটা জাতি তথা মানৱৰ ক্ৰমবিকাশৰ প্ৰতিবিম্ব। সাহিত্য মানৱ মনৰ দাপোন স্বৰূপ। ইয়াৰ যোগেদিয়ে মানৱ জাতিৰ নিজ নিজ ইচ্ছা, অনুভূতি, আশা-আকাঙ্খা, যুক্তি-চিন্তা, বিচাৰ-বুদ্ধিৰ প্ৰকাশ ঘটি আহিছে। ই মানৱ সভ্যতাৰ ইতিহাসো। সাহিত্যৰ যোগেদিয়ে এটা জাতিৰ কলা-সংস্কৃতি প্ৰকাশ পাই আহিছে। যুগে যুগে মানুহে সৃষ্টি কৰি আহিছে সাহিত্যৰ। সাহিত্যই এটা যুগৰ পৰা আন এটা যুগলৈ মানৱ সভ্যতাক আগবঢ়াই অনাত সহায় কৰে। যুগৰ পৰিবৰ্তনৰ লগে লগে সাহিত্যৰ বিষয় বস্তু আৰু পৰিসৰো পৰিবৰ্তিত হৈছে। আজি এটা সৰু বস্তুক লৈও সাহিত্য সৃষ্টি হৈছে। সম্প্ৰতি সাহিত্যৰ ধাৰা কল্পনাৰ পৰা ফালৰি কাটি বাস্তৱবাদী হৈ পৰিছে। মানৱ সমাজৰ বাস্তৱ সমস্যাৰ আজিৰ সাহিত্যত স্পষ্ট প্ৰতিফলন ঘটিব ধৰিছে।

আজি যিখন দেশত দিনে নিশাই চলি আছে হত্যা, লুণ্ঠন, ধৰ্ষণ আদি অমানবীয় পশুতুল্য কাৰ্যসমূহ, সেইখন দেশত সুস্থিৰ মনোবৃত্তিৰে সাহিত্যৰ তথা দেশৰ সুচিন্তা চৰ্চাৰে কোনোবা নাগৰিকে ভাল কাম কৰিবলৈ আগবাঢ়িবলৈ সমৰ্থ হবনে? আমি আজি হতাশাত ভুগিব লগা হৈছে কিয়? ইয়াৰ বাবে দায়ী কোন? বিজ্ঞান নে বিজ্ঞানৰ অপপ্ৰয়োগ? নে কুৰি শতিকাৰ সু-সভ্য মানৱ সমাজ? ইয়াৰ সমাধান দিব কোনে? আমি সকলোৱে বিশ্লেষণাত্মক দৃষ্টিভঙ্গিৰে তত্ব গধুৰ চিন্তা আৰু ত্যাগেৰে আগবঢ়াই নিব লাগিব সাহিত্য তথা দেশক।

নিৰ্বাচনত জিকিয়ে বহুত কিবা কিবি কৰিম বুলি ভাবিছিলোঁ। কিন্তু প্ৰত্যেক খোজতে উজুতি খালোঁ অৰ্থৰ অভাৱত। বিগত বছৰৰ তুলনাত ৰূপালী জয়ন্তী বৰ্ষৰ বাবে ধনৰ পৰিমাণ তেনেই সামান্য।

আলোচনী এখনৰ মান নিৰ্ভৰ কৰে ইয়াৰ লিখনীৰ ওপৰত। অতি দুখেৰে প্ৰকাশ কৰিব লগা হৈছে যে আন মহাবিদ্যায়লৰ তুলনাত ছিপাঝাৰ মহাবিদ্যালয়ৰ লেখক লেখিকাৰ অভাৱ কোনো গুণে কম নহয়। উন্নত মানৰ লিখনি নোপোৱাত এই সংখ্যা আলোচনীখন প্ৰকাশ কৰাত বহুত পলম হ'ল।

সাহিত্যৰ বিষয়ে চিন্তা চৰ্চা কৰিবলৈ সুবিধা দিয়াৰ বাবে ছিপাঝাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত তত্বাৱধায়ক মাননীয় ড° ৰামচন্দ্ৰ ডেকা চাৰৰ অপৰিসীম অৰিহনাৰ কথা কৃতজ্ঞতাৰে স্বীকাৰ কৰিছোঁ। এই সুযোগতে আলোচনীখন প্ৰকাশত বিভিন্ন দিশত পৰামৰ্শ আৰু সহায় কৰাৰ বাবে অধ্যক্ষ মাননীয় শ্ৰীৰেৱণ চন্দ্ৰ নাথ, শ্ৰীদেৱব্ৰত বৰদলৈ, শ্ৰীপ্ৰসন্ন কুমাৰ নাথ, শ্ৰীমুকুল চহৰীয়া, শ্ৰীহেমজ্যোতি ডেকা প্ৰমুখ্যে শিক্ষাগুৰু সকল, কৰ্মচাৰী বৃন্দ, মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সম্পাদক সকল বন্ধুবৰ সৰ্বশ্ৰী ইছাহাৰ আলি, দ্বিজেন নাথ, মঞ্জু ডেকা আৰু ৰাজকমল ভট্টাচাৰ্যৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ।

ধন্যবাদ
**শ্ৰীদিপেন বড়া**
সম্পাদক
আলোচনী বিভাগ
জয়তু ছিপাঝাৰ মহাবিদ্যালয়



অধ্যক্ষ শ্ৰীযুত ৰেৱণ চন্দ্ৰ নাথ দেৱ

# স্মৃতিৰ টুকুৰা বুটলি

*ৰেৱণ চন্দ্ৰ নাথ*
*অধ্যক্ষ*

মহাবিদ্যালয়ৰ দৰে একোখনি পবিত্ৰ উচ্চ শিক্ষানুষ্ঠান স্থাপনৰ গুৰিত থাকে শিক্ষা আৰু সমাজপ্ৰেমী অনেক লোকৰ বিভিন্ন প্ৰকাৰৰ নিঃস্বাৰ্থ ত্যাগ স্বীকাৰ। কোনোৱে শাৰিৰীক ভাৱে খাটি, কোনোৱে মানসিকভাৱে চিন্তা-চৰ্চা কৰি, অনেকেই দান বৰঙণি আগবঢ়াই আৰু বহুতে দিহা-পৰামৰ্শৰেও জ্ঞান-বৃক্ষৰূপী শিক্ষানুষ্ঠানত সাৰপানী যোগাই পত্ৰে পুষ্পে জাতিষ্কাৰ কৰি তোলে। অৱশ্যে সৎ কামৰ বিপৰীতে দুই এক লোকৰ বিৰোধিতা থকাও অস্বাভাৱিক নহয়। দক্ষিণ-পশ্চিম মঙ্গলদৈৰ বানপীড়িত আৰু অভাৱগ্ৰস্ত ৰাইজৰ মাজত ১৯৭১ চনত গঢ় লৈ উঠা ছিপাঝাৰ মহাবিদ্যালয়খনিও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়।

১৯৬৬-৬৭ চনত আমি কেইগৰাকীমান মুষ্টিমেয় ছাত্ৰ-ছাত্ৰী গুৱাহাটী বিশ্ববিদ্যালয়ত। তাৰে ভিতৰত সৰ্ব্বশ্ৰী পৱন কুমাৰ বৰুৱা, প্ৰফুল্ল চহৰীয়া, কানন ভূঞা (ৰুণু) আৰু আমাৰ মাজত সততে আলোচনা হৈছিল ছিপাঝাৰত এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ। মই তেতিয়া পকাদলি হাইস্কুলৰ পৰা বিনা বেতনৰ ছুটীলৈ উচ্চ শিক্ষাৰ বাবে তাত অধ্যয়ন কৰি আছিলো। এই উচ্চ শিক্ষাৰ উদ্‌গনি লাভ কৰিছিলো মোৰ শ্ৰদ্ধাৰ ঁকেশৱ চন্দ্ৰ ভূঞা আৰু শ্ৰীভদ্ৰেশ্বৰ নাথ আৰু বৰ্তমান তুৰা আকাশবাণী কেন্দ্ৰৰ সঞ্চালক শ্ৰীনবীন শইকীয়াৰ পৰা। বি-এ পাচ কৰাৰ পিচতেই মোৰ জীৱনৰ প্ৰথম সাক্ষাৎকাৰ (Interview) দিও- তেজপুৰত সমবায় বিভাগৰ সহকাৰী সমবায় বিষয়া পদৰ বাবে। তেজপুৰত চাকৰি কৰি থকা শ্ৰীনবীন শইকীয়া দেৱে উক্ত সাক্ষাৎকাৰত অৱতীৰ্ণ হবলৈ মোক মানা নকৰি কৈছিল "তুমি আহিলাই যেতিয়া ইণ্টাৰভিউটো দিয়া। কিন্তু তুমি এই চাকৰি কৰিব নালাগে।"

সাক্ষাৎকাৰত অৱতীৰ্ণ হলো, চাকৰিও পালো।ঁভূঞা দেৱৰ ওচৰলৈ গলো পৰামৰ্শৰ বাবে। তেখেতে একেষাৰতেই কলে "এই চাকৰি তোৰ বাবে নহয়। তই এম, এ পঢ়িবলৈ যা।" শ্ৰীভদ্ৰেশ্বৰ নাথ দেৱেও ক'লে-"এম, এ পঢ়াই ভাল। ছিপাঝাৰত কলেজ পাতিম। তাকেই গঢ়িব লাগিব।" হয়তো এই কেইগৰাকী মহানুভৱ আৰু দূৰদৃষ্টি সম্পন্ন ব্যক্তিৰ পৰামৰ্শ আৰু আশীৰ্বাদৰ ফলতেই নানা আৰ্থিক সমস্যাত হাবুডুবু খাইও এম-এ পঢ়াৰ মানসিকতা গোটাইছিলো। সেয়ে চাকৰিত যোগ নিদি এম্-এ পঢ়িবলৈ গৈছিলো। এই ক্ষেত্ৰত তেখেত সকলৰ লগতে মোক ছুটী দি অধ্যয়নৰ ক্ষেত্ৰত আগুৱাই দিয়াৰ বাবে সেই সময়ৰ পকাদলি হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীদিবাকৰ শৰ্ম্মা আৰু সম্পাদক শ্ৰীলক্ষীৰাম নাথৰ ওচৰত আমি চিৰ কৃতজ্ঞ।

১৯৬৭ চনত ছিপাঝাৰ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বাবে প্ৰচেষ্টা হাতত লোৱা শ্ৰীভদ্ৰেশ্বৰ নাথৰ পৰা গম পাই আনন্দত উৎফুল্লিত হৈ পৰিছিলো। সেয়েই ১৯৬৮ চনত বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহিয়েই সাধাৰণ কৰ্ম্মী হিচাপেতেখেত সকলৰ লগত সহযোগিতা আগবঢ়াও বিশেষকৈ মই আৰু শ্ৰীপ্ৰফুল্ল চহৰীয়াই। এজন কৰ্ম্মী হিচাপে প্ৰথমতে তেখেত সকলৰ পাচনি কাম কৰাৰেপৰা আজি অধ্যক্ষ হিচাপে কাৰ্য্য নিৰ্ব্বাহ কৰা এই সুদীৰ্ঘ পচিশ বছৰ কাল দুখ-আনন্দ, উৎসাহ-নিৰুৎসাহ, প্ৰশংসা-কটুক্তি, বহুখিনি ভাল বেয়া অভিজ্ঞতা লাভ কৰিলোঁ। মহাবিদ্যালয়খনিৰ স্থাপনত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত কিম্বা জড়িত নথকা অনেক ব্যক্তিৰ লগত লেনা-দেনা কৰিও বিভিন্ন অভিজ্ঞতা লভাৰ সুযোগ পালো। প্ৰতিষ্ঠাৰ প্ৰাৰম্ভিক স্তৰত মই ব্যক্তিগত ভাৱে বিশেষকৈঁভূঞা দাদা, শ্ৰীভদ্ৰেশ্বৰ নাথ ককাইদেউ আৰু ঁহাছিমুদ্দিন আহমেদ দাদাৰ নিৰ্দ্দেশক্ৰমে

চিঠি বিতৰণৰপৰা বিশ্ববিদ্যালয় আৰু চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগ সূত্ৰ ৰক্ষা কৰাকে ধৰি বিভিন্ন কামত ঘূৰি ফুৰিছিলো, তেঁতেত সকলৰ মৰম সনা ধমকিও কম খোৱা নাছিলো। এনেদৰে বিভিন্ন কামত পাই অহা কিছুমান সাধাৰণ ঘটনা, বিভিন্ন লোকৰ উক্তি, আমোদজনক চিত্ৰ আৰু তিক্ত অভিজ্ঞতাও এই প্ৰবন্ধত সন্নিবিষ্ট কৰিবলৈ বিচৰা হ'ল।

১। ছিপাঝাৰ মহাবিদ্যালয়ৰ অনুমতি কিদৰে হ'ল, ইও এক সাধু কথাৰ দৰে। সেইদিনা শেষ প্ৰচেষ্টা। শ্ৰীভদ্ৰেশ্বৰ নাথ আৰু শ্ৰীতনুৰাম বৰুৱাদেৱে সেই সময়ৰ পঞ্জীয়ক মাননীয় শ্ৰীচিদানন্দ দাসৰ ওচৰত বহু সময় জুৰি বহি থাকিল। এবাৰ তেখেতে মূৰ দাঙি চাই ছিপাঝাৰ বুলি জানি দুয়োকে উপাচাৰ্য্যৰ ওচৰলৈ যাবলৈ ক'লে। দুয়োৱে উপলব্ধি কৰিলে যে ছিপাঝাৰ কলেজৰ অনুমতি নিদিয়া কথাষাৰ তেখেতে নিজে কবলৈ হয়তো ইচ্ছা নকৰিলে। ইতিমধ্যে উপাচাৰ্য্য ঘৰলৈ গ'লত দুয়ো সেইখিনি পালেগৈ। কিন্তু নেপালি চকীদাৰজনে গেটতেই দিলে বাধা।

"কিহে বাপু, মিতিৰ মানুহবো অনুমতিৰ দৰকাৰ নেকি?" দুয়ো চোঁচা মাৰি সোমাই গ'ল আৰু তেওঁ হা-কৰি চাই থাকিল।

মাননীয় উপাচাৰ্য্য গৰাকীৰ লগত বহুখিনি সময় বাক্‌যুদ্ধ চলিল। ইতিমধ্যে দুগৰাকী ৰাজনৈতিক প্ৰভাৱশালী নেতাৰ কথাৰ বাবে দুখন মহাবিদ্যালয়ক অনুমতি প্ৰদান কৰাৰ কথা ব্যক্ত কৰাত মাননীয় উপাচাৰ্য্য গৰাকীয়ে অগত্যা পিচদিনা ১০-৩০ বজাত মাতি পঠালে। শ্ৰদ্ধেয় নাথ আৰু বৰুৱাদেৱে পোনে পোনে মঙ্গলদৈ পালেগৈ আৰু তেতিয়াৰ দলগাঁও সমষ্টিৰ বিধায়ক প্ৰয়াত হাছিমুদ্দিন আহমেদ দেৱক বিশ্ববিদ্যালয়লৈ যোৱাৰ বাবে অনুৰোধ জনালে। নিশা ৯-৩০ বাজি যোৱাৰ বাবে তেখেত সকলক ছিপাঝাৰত থৈ অহাৰ কথা ক'লে। আহমেদ দেৱে কলে যে বুধবাৰে পশ্চিমদিশে আহিলে তেখেত পুনৰ ঘৰলৈ উভতি নাযায়। সেয়ে দুয়োকে নিজ নিজ ঘৰত নমাই থৈ তেখেত নিশাই গুৱাহাটীলৈ গুছি গ'ল। পিচদিনা মঙ্গলদৈ মহকুমাধিপতি আৰু আমাৰ মহাবিদ্যালয়ৰ সভাপতি মাননীয় শ্ৰীচিত্তৰঞ্জন দেৱৰ গাড়ীত আমি উপাচাৰ্য্যৰ ওচৰলৈ গৈ দেখো স্বৰ্গীয় আহমেদ দেৱ আগৰ পৰাই তাত বহি আছে। সিদিনা বিনা বাক্য ব্যয়ে আমাৰ মহাবিদ্যালয়ৰ অনুমতি হ'ল। গাড়ীত উভতি আহোতে আমি ৰগৰ কৰিলোঁ- "হাছিমুদ্দিন আহমেদ দেৱ বিধায়কেই নহয়, যাদুকৰো।"

২। মহাবিদ্যালয়ৰ বাবে ছাত্ৰ-ছাত্ৰী বিচাৰি শ্ৰীভদ্ৰেশ্বৰ নাথ, শ্ৰীপ্ৰফুল্ল চহৰীয়া আৰু মই সন্ধিয়া এখন গাৱঁলৈ গলো। তেখেত সকলৰ হাইস্কুলত শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছোৱালী দুগৰাকীক নাম ভৰ্ত্তিৰ বাবে অনুৰোধ আগবঢ়ালোঁ। বাপেকে ক'লে "পইচা-পাতি নাই, মন সামৰিছোঁ।"

শ্ৰীনাথে ক'লে "বাৰু, সম্প্ৰতি পইচা-পাতি নালাগে, গৈ থাকক, কিজানি অভাগনৰ কপাল ফুলেইয়ে।" বহু সময় নিমাতে থাকে শেষত ক'লে- "হাত ধুইছো আৰু নপঢ়াও।" আমি তেখেতক ভাবিবলৈ দি আৰু ছোৱালীহঁতক অলপ টিপ্ দি উভতি আহিলো। পিচত শুনিলো কোনোবাই হেনো তেখেতক লগাইছে কলেজ নহয় আৰু এতিয়া পইচা পাতি নালাগে বুলি কৈছে যদিও পিচত শকত ধন ভৰিব লাগিব। ইফালে ছোৱালী দুজনীয়ে কন্দা-কটা লগোৱাতো গম পাই তেখেতে মধ্যে দুদিন পিচত পুনৰ গলো। বহু সময় অনুৰোধ জনোৱাৰ পিচত তেখেতে কলে- "ছোৱালীহে দিলো পইচা-পাতি দিব নোৱাৰো।" আমি হব বুলি কৈ গুছি আহিলো। পিচত দুয়ো গৰাকীয়ে বি-এ পাচ কৰি বিয়া হৈ গ'ল।

৩। প্ৰয়াত প্ৰাক্তন সম্পাদক ভূঞাদাদাই সততে সভা-সমিতি আৰু আলোচনা আদিত এষাৰ কথা সঘনে উক্তি কৰিছিল "দুখীয়া ল'ৰা-ছোৱালীখিনিৰ বাবেহে আমাৰ কলেজ পতাৰ প্ৰয়োজন।" তেখেতৰ এই উক্তিৰ সত্যতা আজি প্ৰতিফলিত হৈছে। মৃত্যুৰ আগমুহূৰ্ত পৰ্য্যন্ত তেখেতৰ ওচৰলৈ মই গলে প্ৰথমে সুধিছিল "ঐ কলেজৰ খবৰ কি?" মই কিবা-কিবি কলে তেখেতে বুজনি দিয়ে "সকলোৰে মন একে নহয়, লাগি থাক্ চব হৈ যাব।" এইবোৰ আজিও মোৰ স্মৃতি পটত ভাঁহি আছে।

৪। এবাৰ গৰুখুটি অঞ্চলত ধান সংগ্ৰহ কৰিছিলো সৰ্ব্বশ্ৰী পূৰ্ণ বৰুৱা, তনুৰাম বৰুৱা, শীতেশ্বৰ কলিতা, ফুকন কলিতা আৰু সংগ্ৰহৰ দায়িত্ব লৈ মই নিজে। মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সম্পাদক মঃ চুবিদ আলি আৰু মঃ ইম্‌দাদ আলি আদিয়েও আমাৰ লগত সহযোগিতা আগবঢ়াইছিল। আমাক প্ৰধানকৈ সহায় কৰিছিল পঞ্চায়তৰ সভাপতি "পৰীক্ষিত নাথ





আৰু সম্পাদক মঃ আফাজুদ্দিন আহমেদ দেৱে। এদিন সন্ধিয়া ৰাজাপুখুৰী গাৱঁত ধান সংগ্ৰহ কৰি আহি এঘৰ মানুহৰ চোতালেৰে পাৰ হবলৈ উদ্যত হৈছো। এনেতে পিচফালৰ পৰা মাত লগালে "বাছাহত, মই বিধৱা ধান দিব নোৱাৰিম বুলি যাব খুজিছা নেকি? ৰাইজৰ লগত কলেজৰ বাবে ময়ো অলপ দিম দে।" বিধৱা গৰাকীৰ কথাত আমি লাজ পালো আৰু উভতি গৈ ক্ষমা বিচাৰিলো। তেখেতে আগবঢ়োৱা ধানখিনি বহু লাখ টকা মূল্যৰ বুলি আমি গ্ৰহণ কৰিছিলো। সততে মনলৈ অহা এই স্মৃতি আমাৰ বাবে সদায় প্ৰেৰণাৰ উৎস হৈ আছে।

৫। হাতীমূৰীয়াত থকা মহাবিদ্যালয়ৰ মাটিৰ দখল চম্‌জি লোৱাৰ উদ্দেশ্যে এদিন মণ্ডল আৰু কাননগুৰ সতে ৰাইজৰ কেইজনমান লোক আৰু আমি শিক্ষক ছাত্ৰৰ এটি দল হাতীমূৰীয়াৰ মাটিলৈ যাওঁ। প্ৰায় প্ৰত্যেকৰে হাতত কোৰ। মণ্ডলে সীমা দেখুৱাই দিয়াৰ লগে লগে কিবা এক আনন্দত সকলোৱে কোৰ পাৰিবলৈ ধৰিলে। সময় এক বাজিল। চাহ-বিস্কুট খাইছিলো যদিও সময় যোৱাৰ লগে লগে সকলোৰে পেটে কল্‌মলাবলৈ ধৰিলে। কোনোবা দুজনে পামৰ বাহাৰ পৰা এটা ভাত ৰন্ধা পাত্ৰ আৰু অলপ চাউল গোটালে। কিন্তু তৰকাৰি একো নাই। কোনোবা এগৰাকী ছাত্ৰই কলে "চাৰ, তৰকাৰি হৈ যাব।" তেওঁ আৰু লগতে কেইবাগৰাকী ছাত্ৰই কোৰ পেলাই থৈ কাপোৰ-কানি কোচাই-পানী আৰু মেটেকাৰে ভৰা আমাৰ মাটিলৈ নামি প্ৰকাণ্ড গঁৰৈ আৰু কাৱৈ মাছ কেইটামান ধৰি আনিলে। তাকে পুৰি মহা আনন্দত ভাত খাই চাৰে তিনি মান বজাত ছিপাঝাৰলৈ চাইকেল শোভাযাত্ৰা কৰিলোঁ।

৬। তেতিয়া মহাবিদ্যালয় চলিছিল ধোঁৱাবান্ধা পুখুৰী পাৰৰ পঞ্চায়ত অফিচত। ড° চন্দ্ৰ প্ৰভা ভূঞা তেতিয়া অধ্যক্ষাৰ দায়িত্বত। বিশ্ববিদ্যালয়ৰ পৰা হঠাতে পৰিদৰ্শন দিয়াৰ বাবে আমি বৰ বেছি সাজু নাছিলো। মাননীয় পৰিদৰ্শক মহোদয়ৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ মোৰ অলপ থোকা-মোজা লাগিল।

"চাৰ, সঁচা কথা কবলৈ হলে...।" তেখেতে মোৰ কথা কাঢ়ি নি ধম্‌কি দি কলে "তাৰ মানে ইমান সময় তোমালোকে মিছা কথাই কৈছা?" মই ৰঙা-চঙা পৰি গলো।

৭। পিচদিনা মহাবিদ্যালয় পৰিদৰ্শন। পুহ মাহৰ ঠেৰেঙা শীত। মই তেতিয়া ছিপাঝাৰ একাডেমীৰ সমুখৰ ভাড়াঘৰত। মহাবিদ্যালয়ৰ নথি-পত্ৰ, কেচ্‌বুক আদি ঠিক কৰিব লাগে নিশাৰ ভিতৰতেই। মোৰ পাগঘৰত একুৰা জুই ধৰি লৈ শ্ৰীতনুৰাম বৰুৱা আৰু মই বহি পৰিলো। ওৰে নিশা তেখেতৰ কলম চলিল। মই আৰু মোৰ পত্নী দুয়ো যোগালি। কেতিয়াবা মই প্ৰম্‌টাৰ। নিদ্ৰাদেৱীক জয় কৰি ৰাতিপুৱালৈ যুদ্ধৰ প্ৰস্তুতি শেষ কৰিলোঁ। পিচদিনা ঈশ্বৰে যুদ্ধত জয়লাভ কৰালে। এই স্মৃতি আজিও মনত পৰে।

৮। মহাবিদ্যালয়ৰ সাহায্যাৰ্থে মতা থিয়েটাৰ, যাদু আদি পৰিচালনাত প্ৰধান প্ৰবেশ দ্বাৰ ৰক্ষকৰ ভূমিকাত থকা প্ৰথম লোক জন শ্ৰীযাদৱ চন্দ্ৰ হাজৰিকা আৰু হেংদাং লৈ প্ৰয়োজন মতে শান্তি-শৃঙ্খলা আৰু বেৰ ভাঙি প্ৰবেশ কৰিবলৈ বিচৰা দুষ্ট ডেকা ল'ৰাক খেদা গোৱা কৰা মানুহজন হ'ল শ্ৰীচন্দ্ৰ কান্ত মহন্তদেৱ। কেতিয়াবা খঙৰ ভমকত "বাপেৰে ঠিক কৰি দিম" বুলিখেদি গলে বপুৰাহত পলাই পত্ৰং দিছিল। এই ছবি মনলৈ আহিলে এতিয়াও হাঁহিবলৈ মন যায়।

৯। "ও উঠ, উঠ, ব'ল ব'ল। এই ৬-৩০ বজাত টাইম্ দি কিয় থিয়েটাৰ আৰম্ভ কৰা নাই?" মহাবিদ্যালয়ৰ পুঁজি সংগ্ৰহকে ধৰি সকলোতে স্পষ্টবাদিতা আৰু সময়নিষ্ঠা ৰক্ষা কৰি দিনে নিশাই মহাবিদ্যালয়ৰ হকে লাগিছিল শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীভূচন্দ্ৰ বৰুৱা দেৱ। পুঁজি সংগ্ৰহত ঘূৰি ফুৰোতে কেতিয়াবা কয় "ঐ মোৰ ভোক লাগিছে, এটা কল আনি দে, নহলে মই যাম।" মানুহৰ ঘৰত চাহ দিব খুজিলে চাৰে সততে কয় "মই গাখীৰ খাম দেই।" আচলতে চাৰে চাহ নাখায়। এনেবোৰ মধুৰ স্মৃতি কোনোকালেই মচ্ নাখায়।

১০। প্ৰয়াত অন্নদানন্দ গোস্বামী দেৱ এবাৰ মহাবিদ্যালয়ৰ কামত গুৱাহাটী বিশ্ববিদ্যালয়লৈ গৈ হঠাতে প্ৰেচাৰত অসুস্থ হৈ পৰে আৰু অধ্যাপক শ্ৰীতিলক শৰ্ম্মাৰ ঘৰত শয্যাশায়ী হয়। চিৰহাস্যময়ী এই মহানুভৱ ব্যক্তি গৰাকীক তাৰ পৰা অহাৰ পিচত লগ ধৰিলো। মোৰ গাত মৰমেৰে হাত ফুৰাই মিছিকিয়া হাঁহিৰে তেখেতে ক'লে "সংকামত মৰিব পৰাতো ভাগ্য বুজিছা বেৰণ। এইবাৰলৈ বলো। মই কিন্তু কলেজ হোৱা চাইহে যাম।" কলেজখনৰ প্ৰতি থকা তেখেতৰ এই

একাগ্ৰতাত অভিভূত হৈ পৰিছিলো। শ্ৰদ্ধাসিক্ত নয়নেৰে আমাৰ চকুলো নিগৰি পৰিছিল।

১১। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ বৈঠক উপলক্ষে মঙ্গলদৈ মহকুমাধিপতি ১-৩০ বজাতেই উপস্থিত হ'লহি। সদস্যসকল তেতিয়াও আহি পোৱা নাই। প্ৰয়াত অন্নদানন্দ গোস্বামীয়ে মাননীয় মহাকুমাধিপতি গৰাকীক জোৰেৰে আকোৱালি ধৰি কলে "চাহাব, আপুনি আমাৰ কলেজ কৰি দিব লাগিব।" তেখেতে অসমীয়া ভালকৈ নাজানে। সেয়ে বাৰে বাৰে বুজিছ বুজিছ শব্দটো ব্যৱহাৰ কৰিলে। বাকী উপস্থিত থকাবোৰে মুখটিপি হাঁহিলে।

১২। এদিন নৈশ শ্ৰেণীত ক্লাচ কৰি মই স'লপাম গাৱঁৰ ঘৰলৈ উভতিছো। ঘোপমৰা এন্ধাৰ, বতৰ বেয়া আৰু মোৰ হাতত টৰ্চলাইতো নাই। ননাই নৈৰ পাৰৰ ঘাটত চাইকেল ৰাখি ঘাটুৱৈক দাদা, দাদাকৈ মাতিলো। সম্ভৱ মেঘে ঢেৰেকনি মাৰি থকাৰ বাবে সিপাৰে নাও বান্ধি তেখেত সোনকালে ঘৰলৈ গৈছে। তেতিয়া নিশা ৯-০০ বাজি গৈছে। মোৰ এটা বিশ্বাস-সংকামত থকা মানুহক দেও-ভূতে নিকিলায় আৰু অশুভ শক্তিয়ে একো অন্যায় কৰিব নোৱাৰে, লগত ঈশ্বৰ থাকে। ভবাৰ লগে লগেই দুৰ্বাৰ সাহস আহিল। পেন্টটো খুলি আন্দাৰেৰেই বাঢ়নি নৈত সাতুৰি গৈ নাওখন লৈ আহিলো আৰু চাইকেল পাৰ কৰি ঘৰলৈ গলো। মথাউৰিৰ পৰা নামি গাৱঁৰ ৰাস্তাত সোমোৱাৰ লগে লগে মূৰৰ ওপৰত ডবাপিটা বৰষুণ আৰু ঢেৰেকনি। তিতি-বুৰি যোৱাৰ বাবেই তিনিদিন ধৰি জ্বৰত পৰিলো। সেই বিপদ সঙ্কুল দিনটি আজিও মনত পৰিলে গাৰ নোম শিয়ঁৰি উঠে।

১৩। মহাবিদ্যালয় পৰিদৰ্শক মহোদয়ে মোক মাতি পঠালে। ১০-৩০ বজাত অজান কাৰণত ভয়ে ভয়ে তেখেতৰ ড্ৰয়িং ৰুমত কুচি-মুচি বহি থাকিলো। তেখেতে প্ৰবেশ কৰিয়েই অগ্নি শৰ্ম্মা হৈ ৩ মিনিটমান বিভিন্ন কথাৰে ধমকনি দিলে।

"এইদৰে কলেজ কৰিবা? এইয়া চোৱা তোমাৰ আৰু কলেজৰ বিৰুদ্ধে পেটিচন। এসপ্তাহৰ ভিতৰত তুমি হাইস্কুলৰ চাকৰি ৰিজাইন্ দি কলেজলৈ আহিব লাগিব। নহলে কলেজ ভাঙি দিম।"

মই দুচকুৰে সৰিয়হৰ ফুল দেখিলো। কান্দি কান্দি তেখেতক অনুৰোধ কৰিলো "চাৰ, মই কথা ৰাখিম। কলেজ খনৰ যেন অন্যায় নকৰে।"

১৪। "মহন্ত হবনে?"

"হব দিয়ক, বাপ সকলৰ শ্ৰীচৰণে সেইখিনি আমিয়ে কৰিম।" মহাবিদ্যালয়ৰ সভাই সমিতিয়ে, বিভিন্ন কামে-কাজে কোনোমতে পিচ নোহোহকা'সেই মানুহজনৰ কাম অলেখ। দা-কোদাল ধৰি ঠাই পৰিষ্কাৰ কৰা, মাটি কটা, বেৰ দিয়া, মহাবিদ্যালয়ত পহৰা দিয়া, ঘৰত চাহ পাগি আনি সভা-সমিতি বা কাম কৰি থকা ৰাইজক আপ্যায়ন কৰা, মহাবিদ্যালয়ৰ বাবে মাটি বন্দবস্ত কৰি আজিলৈ মহাবিদ্যালয়খনিক সহায় কৰি থকা সেইজন ব্যক্তি শ্ৰীচন্দ্ৰ কান্ত মহন্তদেৱ।

১৫। "যোগ্যবান আৰু কৰ্ম্মীলোকক মৰ্য্যাদাসহ দায়িত্ব দিয়া ভাল। এওঁ যদি কলেজখনিৰ বাবেই চাকৰি ত্যাগ কৰিছে তেনেহলে তাকে কৰা উচিত।" এই পৰামৰ্শ এজন গুণী-জ্ঞানী, আজীৱন শিক্ষাব্ৰতী আৰু আদৰ্শবান পিতৃ স্বৰ্গীয় পুৱাৰাম দাসদেৱৰ। হাইস্কুলৰ চাকৰি ইস্তফা দিয়াৰ পিচতেই শ্ৰদ্ধাৰ শ্ৰীপূৰ্ণৰাম বৰুৱাৰ লগত এদিন সন্ধিয়া তদানীন্তন শ্ৰদ্ধাৰ সম্পাদক শ্ৰীমাধৱ চন্দ্ৰ ৰাজবংশীক লগ ধৰিছিলো তেখেতৰ বাসগৃহ বৰমপুৰ গাৱঁত। গোটেই ঘটনা. বিৱৰি কৈছিলো আমি দুয়োৱে। বৰুৱা ককাইদেৱে বিষয়টো বিশেষ গুৰুত্ব সহকাৰে উত্থাপন কৰিলে। মোৰ তেতিয়াৰ মানসিক অৱস্থা আৰু মহাবিদ্যালয়খনিৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মাননীয় সম্পাদক ৰাজবংশীদেৱে আমাক উপাধ্যক্ষ দায়িত্বেৰে সেৱা কৰাৰ সুবিধা প্ৰদান কৰে, যাৰ ফলত পৰ্য্যায়ক্ৰমে আহি আজি অধ্যক্ষ হিচাপে আমি নিজে উচ্চ শিক্ষানুষ্ঠানটিৰ মঙ্গলৰ হকে আত্মনিয়োগ কৰি আছো।

এনেদৰে মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাত ব্যক্তিগতভাৱে পাই অহা আৰু অনেক কথাই আছে। তাৰে কিছুমান অনুষ্ঠানখনিৰ বৃহৎ স্বাৰ্থৰ খাটিৰত প্ৰকাশ কৰা সমীচিন নহব। মোৰ দৰে প্ৰত্যেকজন মহাবিদ্যালয়ৰ মাননীয় নিঃস্বাৰ্থ কৰ্ম্মীৰ অন্তত এনে হয়তো বহুকথাই ওলাব। মহাবিদ্যালয় প্ৰতিষ্ঠাত এনেবোৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ কাহিনী, চিত্ৰ কল্প উত্তৰ পুৰুষৰ বাবে মহান প্ৰেৰণাৰ উৎস হৈ থাকিব। ❒ ❒





# ছিপাঝাৰ মহাবিদ্যালয় ঃ তেতিয়া আৰু এতিয়া

*মুকুল কুমাৰ চহৰীয়া*
*প্ৰৱক্তা, অসমীয়া বিভাগ*

আমি তেতিয়া (ইং ১৯৭২-৭৩) ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ। আমাৰ বিদ্যালয়ৰ গাতে লাগি থকা ঘোঁৰাবান্ধা পুখুৰীৰ পাৰত থকা বৰদৌলগুৰি গাওঁ পঞ্চায়তৰ ঘৰটিত কিছুমান ডাঙৰ ডাঙৰ ল'ৰা-ছোৱালী প্ৰায়ে অহা দেখিছিলো। ঘৰটো তেতিয়া এনেয়ে পৰি আছিল। তেওঁলোক তালৈ কিয় আহিছিল প্ৰথমে গম পোৱা নাছিলো। আমাৰ চিনাকি দুই-চাৰিজন ককাইদেউ-বাইদেউক তালৈ কিয় আহে সোধোতে গম পাইছিলো, তেওঁলোকেও হেনো আমাৰ দৰে পঢ়িবলৈ আহিছে। তেওঁলোকে আমাক কৈছিল আমি বোলে পঢ়ো বিদ্যালয়ত, তেওঁলোকে পঢ়ে মহাবিদ্যালয়ত। 'মহাবিদ্যালয়' শব্দটো আমাৰ বাবে তেতিয়া একেবাৰে নতুন আৰু তেওঁলোকৰ মুখতেই প্ৰথম শুনিছিলো। যিয়ে নহওঁক সেয়াই আছিল ছিপাঝাৰ মহাবিদ্যালয়। বৰ্ত্তমানৰ ছিপাঝাৰ মহাবিদ্যালয় সেই পঞ্চায়ত ঘৰত বহা মহাবিদ্যালয়ৰে পৰিবৰ্দ্ধিত ৰূপ।

ছিপাঝাৰ মহাবিদ্যালয়ৰ জন্ম লগ্নৰ আটাইবিলাক দিশ আমি নাজানিলেও (যিবোৰত হয়তো একোটা একোটা কাহিনী সোমাই আছে!) তথাপি দুই-চাৰিটা দিশ আমিও জানিছিলো, শুনিছিলো। ইয়াত আমি জনা আৰু প্ৰত্যক্ষভাৱে দেখা তেনে কেইটামান দিশৰ কথাহে কব বিচাৰিছোঁ। ছিপাঝাৰ দৰং জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত শিক্ষা-দীক্ষাত আগবঢ়া জনবসতি ঘন এখনি ঐতিহ্য পূৰ্ণ ঠাই। ইয়াত বহুতো ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠান গঢ়ি উঠিছে। কিন্তু এটা কথা উল্লেখ কৰিব লাগিব যে অঞ্চল হিচাপে ছিপাঝাৰত যিমান খিনি অনুষ্ঠান থাকিব লাগিছিল সেয়া তুলনামূলকভাৱে কম। চৰকাৰী মাটিৰ অভাৱ, যাৰ ফলত ইয়াত যি কোনো ৰাজহুৱা অনুষ্ঠান গঢ় লৈ উঠাত প্ৰতিবন্ধকৰ সৃষ্টি হয়। অৱশ্যে মাটিৰ অভাৱত অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি নুঠাকৈও থকা নাই। এই ক্ষেত্ৰত ছিপাঝাৰ অঞ্চলৰ এটি বৃহৎ অনুষ্ঠান ছিপাঝাৰ মহাবিদ্যালয়ো ব্যতিক্ৰম নহয়।

মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰাকমুহূৰ্তত প্ৰতিস্থাপক সকলে প্ৰথমে মাটিৰ অভাৱত মূৰ ঘমাব লগীয়া হৈছিল। অৱশেষত অশেষ চেষ্টাৰ ফলত তেওঁলোকে স্থানীয় হাতীমূৰীয়া গাঁৱত পৰি থকা ৫১ বিঘা (একাৱন্ন) চৰকাৰী মাটি মহাবিদ্যালয়ৰ নামত মঞ্জুৰ কৰায়। কিন্তু স্থানীয় হাতীমূৰীয়া গাঁৱৰ ৰাইজে এই মাটি কলেজক এৰি দিবলৈ অমান্তি হৈছিল, যাৰ ফলত হাতীমূৰীয়া গাঁৱৰ ৰাইজৰ লগত কলেজ কৰ্তৃপক্ষৰ ভীষণ বাক্‌বিতণ্ডাৰ সৃষ্টি হৈছিল। আমাৰ মনত আছে যে কৰ্তৃপক্ষৰ লগতে সেই সময়ৰ কলেজৰ ছাত্ৰবোৰেও কলেজৰ মাটি দখল কৰিবলৈ মাৰবান্ধি হাতীমূৰীয়া গাঁৱলৈগৈছিল আৰু সেই মাটিত উৎপন্ন হোৱা ধান কাটি ট্ৰাকত ভৰাই জয়ধ্বনি দি দি গৰুখুটি ঘোঁৰাবান্ধা পথেৰে কঢ়িয়াই আনিছিল। আমি তেতিয়া ঘোঁৰাবান্ধা প্ৰাথমিক বিদ্যালয়ৰ বাৰান্দাত ৰৈ ৰৈ এই দৃশ্য চাইছিলো।

মহাবিদ্যালয় এখনে বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃতি পাব লাগিলে বিশ্ববিদ্যালয়ে নিৰ্দ্ধাৰণ কৰি দিয়া মতে মহাবিদ্যালয়খনিৰ নিজা মাটি আৰু নগদ এক লাখ টকাৰ পুঁজিৰ প্ৰয়োজন। আমাৰ মহাবিদ্যালয়ে মাটিৰ ব্যৱস্থা কৰিব পাৰিছিল যদিও মোটা টকাৰ পুঁজি গঠন কৰিব পৰা নাছিল। ফলত কৰ্তৃপক্ষ বিমোৰত পৰিবলগীয়া অৱস্থা হৈছিল। বিশ্ববিদ্যালয়ে আমাৰ মহাবিদ্যালয়ক স্বীকৃতি দিবলৈ পৰিদৰ্শন কৰাৰ আগে আগে কৰ্তৃপক্ষই বিশেষকৈ সেই সময়ৰ

মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক মাননীয় শ্ৰীভদ্ৰেশ্বৰ নাথ দেৱে আন কেইজনমান সদস্য লগত লৈ আমাৰ ঘৰলৈ আহি মোৰ দেউতা ˚বেনুধৰ চহৰীয়াক ধৰিলে যে মহাবিদ্যালয়ৰ স্বীকৃতিৰ বাবে বিশ্ববিদ্যালয়ক দেখুৱাবলৈ দেউতাৰ Account ৰ পৰা ২৫,০০০ (পচিশ হাজাৰ) টকা উলিয়াই দি মহাবিদ্যালয়ৰ Account ত জমা ৰাখিব দিব লাগে। বাকী টকা কৰ্তৃপক্ষই যেনে তেনে যোগাৰ কৰিছিল। দেউতাই কৰ্তৃপক্ষৰ অনুৰোধ ৰক্ষা কৰি টকা খিনি উলিয়াই দিছিল। কৰ্তৃপক্ষই বিশ্ববিদ্যালয়ে নিৰ্দ্ধাৰণ কৰি দিয়া নগদ পুঁজি এনেদৰে দেখুৱাই মহাবিদ্যালয়ৰ স্বীকৃতি লাভ কৰিছিল। অৱশ্যে পিছত মহাবিদ্যালয়ে উক্ত টকা ˚দেউতাক ওভতাই দিছিল।

অসমৰ প্ৰায় ভাগ মহাবিদ্যালয় কোনো ধনৱন্ত মহান ব্যক্তি অথবা কোনো ব্যৱসায়ী অনুষ্ঠান-প্ৰতিষ্ঠান অথবা ৰাইজৰ একান্ত সদিচ্ছাত গঢ় লৈ উঠা দেখা যায়। কিন্তু ছিপাঝাৰ অৰ্থনৈতিক ভাবে ইমান পিছপৰি থকা ঠাই য'ত তেনে ধনৱন্ত ব্যক্তি অথবা তেনে ব্যৱসায়ী প্ৰতিষ্ঠানে মহাবিদ্যালয়ক অৰিহণা যোগাব পৰা নাছিল আৰু এতিয়াও নাই। ইয়াৰ উপৰিও অপ্ৰিয় হলেও সত্য যে ছিপাঝাৰ অঞ্চলৰ ৰাইজৰ মহাবিদ্যালয়খনিৰ বাবে যিমানখিনি সচেতনতা তথা সদিচ্ছা থাকিব লাগিছিল সেয়া কেইজনমান মুষ্টিমেয় লোকৰ বাহিৰে আন সকলৰ আছিল বুলি কব নোৱাৰি। যাৰ ফলত মহাবিদ্যালয়খনিয়ে যিমানখিনি প্ৰগতিৰে আগবাঢ়িব লাগিছিল সেইটো পৰিলক্ষিত হোৱা নাই। বিশেষকৈ অৰ্থনৈতিক সংকটত পৰি মহাবিদ্যালয়খনিৰ ককাল ভঙাৰ দৰে অৱস্থা হৈছিল। সেয়ে আমি দেখিবলৈ পাইছিলো কলেজ কৰ্তৃপক্ষই কলেজৰ উন্নতিৰ বাবে থিয়েটাৰ মতা, যাদু প্ৰদৰ্শন কৰোৱা, লটাৰী খেল পতা আদি পন্থাৰে ধন সংগ্ৰহ কৰাৰ উপৰিও অশেষ কষ্ট স্বীকাৰ কৰি জাৰ জহ, দিন-ৰাতি, নেওচি যেতিয়াই তেতিয়াই ছিপাঝাৰ অঞ্চলৰ প্ৰায় মানুহৰ ঘৰে ঘৰে ঘূৰি ধন সংগ্ৰহ কৰিছিল। নিৰ্দিষ্ট দুই চাৰিজন ব্যক্তিক মাটিৰ বাবেও ধৰিছিল। ইয়াৰ ফলত কেতিয়াবা কেতিয়াবা দুই চাৰিজন লোকে আমনি পাই তেখেত সকলক কটুকথাও শুনাইছিল বুলি জানিব পাৰিছিলো। এইবোৰ সমস্যাৰ উপৰিও মহাবিদ্যালয়ে আন এটি সমস্যাৰো সন্মুখীন হৈছিল। সেই সময়ত ছিপাঝাৰ অঞ্চলৰ অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক ছিপাঝাৰ মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিব দিবলৈ ইচ্ছা নকৰিছিল। সেয়ে কৰ্তৃপক্ষই ছিপাঝাৰ অঞ্চলত ঘূৰি ঘূৰি ছাত্ৰ-ছাত্ৰীও সংগ্ৰহ কৰিবলগীয়া হৈছিল।

এই বিলাক কামত আমি সততে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, পিছলৈ সম্পাদক মাননীয় শ্ৰীভদ্ৰেশ্বৰ নাথ, মাননীয় শ্ৰীতনুৰাম বৰুৱা আৰু বৰ্ত্তমানৰ অধ্যক্ষ মাননীয় শ্ৰীৰেৱণ চন্দ্ৰ নাথৰ তৎপৰতা লক্ষ্য কৰিছিলো। শ্ৰীযুত ৰেৱণ চন্দ্ৰ নাথে চৰকাৰী শিক্ষকতা চাকৰি বাদ দি মহাবিদ্যালয়খনিকে নিজৰ ঘৰ বুলি জ্ঞান কৰি মহাবিদ্যালয়ৰ উন্নতিৰ বাবে দেহে কেহে লাগি পৰিছিল। এইটো সঁচাকৈ স্বীকাৰ কৰিব লাগিব যে চৰকাৰী চাকৰি ত্যাগ কৰি তেখেতে নিজৰ ভৱিষ্যত কি হব সেই কথা আওকান কৰি ৰাইজৰ মঙ্গলৰ অৰ্থে, ছিপাঝাৰত জ্ঞানৰ পোহৰ নমাই অনাৰ প্ৰতিশ্ৰুতিৰে, নিজকে মহাবিদ্যালয়খনিত সপি দি অক্লান্ত পৰিশ্ৰম আৰু আপ্ৰাণ চেষ্টা কৰি শেষত ৰাইজৰ সহায় সহযোগত নানা বাধা বিঘিনি নৰিমূৰ কৰি যোৱা ইং ১৯৮৬ চনত ছিপাঝাৰ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়ৰ পৰা ঘাটি মঞ্জুৰী লাভ কৰিবলৈ সক্ষম কৰালে। লগে লগে বহুদিনীয়া ছিপাঝাৰবাসীৰ মহাবিদ্যালয়ৰ সপোন বাস্তৱত ৰূপায়িত হ'ল।

আমি হাইস্কুলত (ছি. উঃ মাঃ আৰু বঃ মুঃ বিদ্যালয়) ৬ষ্ঠ-৭ম শ্ৰেণীত পঢ়ি থাকোতে ছিপাঝাৰ অঞ্চলৰ প্ৰায় বিলাক স্কুলৰ ল'ৰা-ছোৱালীয়ে গৈ বৰ্ত্তমান মহাবিদ্যালয়ৰ উত্তৰ দিশৰ পথাৰৰ পৰা মাটি কঢ়িয়াই মহাবিদ্যালয়ৰ ভেটি বন্ধা সেই দিনবোৰ আমাৰ এতিয়াও মনত পৰে, আৰু মনত পৰে সেইদিনটো, যিদিনা ছিপাঝাৰ অঞ্চলৰ ৰাইজ আৰু প্ৰায়বোৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰে উপস্থিতিত এটি উৎসৱমুখৰ পৰিবেশত মাননীয় ˚অমূল্যচন্দ্ৰ বৰুৱাদেৱে কলেজৰ স্থায়ী গৃহৰ দুৱাৰ মুকলি কৰিছিল। দুৱাৰ মুকলিৰ পিছৰ পৰাই দিনে দিনে হৈ অহা মহাবিদ্যালয়ৰ প্ৰতিটো পদক্ষেপতে হোৱা উন্নতিৰ কথা গম পাই, যদিও আমি মহাবিদ্যালয়ৰ ছাত্ৰ নাছিলো তথাপি ৰাইজৰে এজন হৈ মহা আনন্দ অনুভৱ কৰিছিলো।

এতিয়া সেইখন মহাবিদ্যালয়ৰে ময়ো এগৰাকী পৰিয়ালৰ সদস্য হৈ নিজকে ধন্য মানিছো। বৰ্ত্তমানৰ মহাবিদ্যালয় আৰু তাহানিৰ মই প্ৰাথমিক বিদ্যালয়ত পঢ়ি থাকোতে ঘোঁৰাবান্ধা পুখুৰী পাৰৰ পঞ্চায়ত ঘৰৰ মহাবিদ্যালয়ৰ মাজত আকাশ-পাতাল পাৰ্থক্য। মানুহৰ অভাৱৰ শেষ নোহোৱাৰ দৰে কোনো এখন অনুষ্ঠানৰো সদায় এশ এবুৰি অভাৱ, সমস্যা আদি থাকিবই, ছিপাঝাৰ মহাবিদ্যালয়ৰো আছে আৰু আগলৈও থাকিব। কিন্তু অতীতৰ ছিপাঝাৰ মহাবিদ্যালয়ৰ যি মাটি, ধন, গৃহ, শিক্ষক, ছাত্ৰ-ছাত্ৰী আদি মূল বস্তুৰ অভাৱ আছিল সেয়া আজি নাই। বৰ্ত্তমানৰ অভাৱবোৰ আনুসংগিকহে। আজি ছিপাঝাৰ মহাবিদ্যালয় দৰং জিলাৰ পশ্চিম প্ৰান্তৰ এখনি উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ, লেখত লবলগীয়া মহাবিদ্যালয়। য'ত আজি ১৫০০-২০০০ (পোন্ধৰশৰ পৰা দুই হাজাৰ) ছাত্ৰ-ছাত্ৰীৰ সমাবেশ, এই বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিবলৈ স্থানীয় আৰু অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৩০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী, য'ত ১২ গৰাকী অফিচ কৰ্মচাৰী, এটাও ক্লাচ কৰিবলৈ কম নথকা মহাবিদ্যালয়ত আজি ১৯-২০ টা পৰ্য্যন্ত শ্ৰেণী কোঠা, ১ বিঘা মাটি নথকা সেইখন মহাবিদ্যালয়ৰে আজি হ'ল প্ৰায় ৭৫ বিঘা (পসত্তৰ বিঘা) মাটি। এটা সময়ত স্থানীয় মহাবিদ্যালয়ৰ অভাৱত ছিপাঝাৰ অঞ্চলৰ বহু দুখীয়া মেধা ছাত্ৰই উচ্চ শিক্ষাৰ অভিলাস সামৰিব লগা হৈছিল। বৰ্ত্তমান শিক্ষাৰ দিশত আগবঢ়া ছিপাঝাৰ অঞ্চলৰ বহু তেনে দুখীয়া ছাত্ৰই এই মহাবিদ্যালয়ৰ জৰিয়তে উচ্চ শিক্ষাৰ দুৱাৰ গচকাৰ লগতে নিজৰ কৰ্মসংস্থান উলিয়াই লব পাৰিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় সকলো সুবিধা দিব নোৱাৰিলেও, স্নাতক মহলাৰ আটাইবোৰ বিষয়তে গুৰু পাঠ্যক্ৰম খুলি দি ছাত্ৰ-ছাত্ৰীৰ মূল অভাৱ দূৰ কৰাত মহাবিদ্যালয়ে অৰিহণা যোগাইছে। এই ফালৰ পৰা ছিপাঝাৰ মহাবিদ্যালয়খনিয়ে দৰং জিলাৰ পশ্চিম প্ৰান্তত উচ্চ শিক্ষাৰ এটি নতুন বাতাবৰণ সৃষ্টি কৰিবলৈ বিপ্লৱৰ সূচনা কৰিব পাৰিছে বুলি কলেও বঢ়াই কোৱা নহ'ব।

আমি জনাত মহাবিদ্যালয়ৰ গ্ৰন্থগাৰত বহুত বেছি গ্ৰন্থ নহলেও ছাত্ৰ-ছাত্ৰীৰ উপযোগী কিতাপৰ যোগান ধৰিব পাৰিছে। পৰীক্ষা সংক্ৰান্তত মহাবিদ্যালয়ে সন্তোষজনক ফলাফল দেখুওঁৱাও পৰিলক্ষিত হৈছে। শিক্ষক সকলৰ নিয়মীয়া পাঠদানে, সম্পূৰ্ণ গাৱঁলীয়া পৰিবেশত গঢ়ি উঠা মহাবিদ্যালয়খনি অসমৰ অন্যান্য বহুতো মহাবিদ্যালয়তকৈ অন্ততঃ শৈক্ষিক দিশত পৃথক।

আমি গম পোৱাত চৰকাৰৰ ফালৰ পৰা বিশেষ উল্লেখযোগ্য অনুদান লাভ নকৰা মহাবিদ্যালয়খনিয়ে ছাত্ৰ-ছাত্ৰীৰ মাছুল আৰু ৰাইজৰ পৰা সংগৃহীত ধনেৰে মহাবিদ্যালয়ৰ মূল সমস্যা মাটি কিনা আৰু গৃহ নিৰ্মাণ কামত লাগি থাকিতোতেই আজি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলেহি। কিন্তু পৰিতাপৰ কথা এটা সময়তে গঢ় লৈ উঠা অন্য মহাবিদ্যালয়ে ক'লা শাখাৰ উপৰিও বিজ্ঞান শাখাৰে পৰিপূৰ্ণ হৈ পূৰ্ণ পৰ্য্যায়ৰ মহাবিদ্যালয় হিচাপে পৰিগণিত হ'ল। কিন্তু আমাৰ ছিপাঝাৰ মহাবিদ্যালয়খনি কলা শাখাতে আৱদ্ধ থাকিল। অৱশ্যে এই ক্ষেত্ৰত আমি ছিপাঝাৰৰ ৰাইজখিনি কম জগৰীয়া নহয়। যি কি নহওঁক, যিহেতু বৰ্তমান মূল সমস্যাবোৰ আঁতৰিছে সেয়ে কলেজ কৰ্তৃপক্ষ, অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ৰাইজৰ সহযোগত ৰূপালী জয়ন্তী বৰ্ষৰ পৰাই সকলোৱে অনুভৱ কৰি থকা ছিপাঝাৰ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ছিপাঝাৰ মহাবিদ্যালয়ত বিজ্ঞান অথবা বাণিজ্য শাখা আৰম্ভ হোৱাৰ সম্ভাৱনা যোল অনাই আছে। ইয়াৰ উপৰিও ছিপাঝাৰত শিক্ষাৰ অগ্ৰগতিলৈ লক্ষ্য ৰাখি মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণী খোলাৰো গুৰুত্ব আহি পৰিছে। অৱশ্যে এইবোৰ দিশত মহাবিদ্যালয়ৰ বৰ্ত্তমান অধ্যক্ষ মহোদয়ে পূৰ্বৰ দৰেই পুনৰ নতুন উদ্যমেৰে তেওঁৰ কাৰ্য্যকালতে (মাথোন সাতোটা বৰ্ষ) ছিপাঝাৰ মহাবিদ্যালয়খনিক পূৰ্ণাংগ মহাবিদ্যালয় হিচাপে গঢ়ি তোলাৰ মানসিকতাৰে তৎপৰ হৈ পৰা পৰিলক্ষিত হৈছে।

আমি আশাকৰোঁ ৰাইজ আৰু সহকৰ্মীৰ পৰা সম্পূৰ্ণ সদিচ্ছা আৰু সহায় সহানুভূতি পালে সততে কৰ্মনিষ্ঠ, উৎসাহী, কষ্ট সহিষ্ণু, বাৰ্দ্ধক্যৰ চাপ নপৰা মাননীয় অধ্যক্ষ জনে অহা সাতোটা বছৰৰ ভিতৰত মহাবিদ্যালয়খনিক অসমৰ অন্যান্য মহাবিদ্যালয়ৰ দৰে এখন পূৰ্ণপৰ্য্যায়ৰ মহাবিদ্যালয় হিচাপে গঢ়ি তুলিব পাৰিব। ❐ ❐

# অঙ্কীয়া নাটৰ কলা-কৌশল আৰু বিষয়বস্তু

*দিপালী চহৰীয়া*
স্নাতক ৩য় বৰ্ষ

অসমীয়া সাহিত্যত প্ৰথম গদ্যৰ নিদৰ্শক আৰু প্ৰথম নাট্যকাৰজন হৈছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। শঙ্কৰদেৱ আৰু তেওঁৰ অনুগামী শিষ্য মাধৱদেৱৰ ৰচিত নাট সমূহক 'অঙ্কীয়া নাট' বোলা হয়। এই অঙ্কীয়া শব্দটোক লৈ বিভিন্নজন সমালোচকে ভিন্ন মত পোষণ কৰে। কিন্তু সেই মতামতবোৰৰ পৰা কোনো এটা নিৰ্দিষ্ট সূত্ৰ পোৱা নাযায়। গতিকে অঙ্কীয়া নাট সম্পৰ্কত চমুকৈ এনেদৰে উল্লেখ কৰিব পাৰি- মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাটসমূহত যি কলা কৌশল আৰু ভাষা প্ৰয়োগ কৰিছিল, পৰৱৰ্তী নাট্যকাৰ সকলৰ নাট সমূহত সেই কলা কৌশল সমূহ ৰূপে ব্যৱহৃত হোৱা নাছিল। তেওঁলোকৰ নাটত ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰা নাছিল আৰু নান্দী শ্লোক, ভটিমা আদি সম্পূৰ্ণৰূপে বৰ্জন কৰিছিল। সেইবাবে মহাপুৰুষ দুজনৰ নাট সমূহক পৰৱৰ্তী সময়চোৱাৰ নাট্যকাৰ সকলৰ নাট সমূহৰ পৰা পৃথক কৰি দেখুৱাবৰ বাবে 'অঙ্কীয়া' শব্দটো ব্যৱহাৰ কৰা হৈছিল।

এই অঙ্কীয়া নাটৰ সংস্কৃত নাটৰ লগত কিছু ক্ষেত্ৰত মিল আছে। কিন্তু ইয়াৰ কলা-কৌশললৈ মন কৰিলে দেখা যায় যে কাৰ্য্যত অঙ্কীয়া নাট সংস্কৃত নাটৰ কলা কৌশলৰ পৰা কিছু ক্ষেত্ৰত ফালৰি কাটিছে। অঙ্কীয়া নাটৰ কিছুমান বিশেষত্ব আছে। সেই বিশেষত্ব সমূহ ফহিয়াই চালে নাট্যকাৰেনো কেনে ধৰণৰ কলা কৌশল প্ৰয়োগ কৰিছে সেই কথা সুন্দৰ ভাৱে পৰিস্ফুট হ'ব।

অঙ্কীয়া নাটৰ এটি বিশেষ চৰিত্ৰ হৈছে সূত্ৰধাৰ। আমাৰ নাট্যকাৰে এই চৰিত্ৰটো সংস্কৃত নাটৰ পৰা আহৰণ কৰিছে যদিও ইয়াত মৌলিকতাও আছে। সংস্কৃত নাটকত সূত্ৰধাৰৰ কাম মাথো দুটা (১) নান্দী পাঠ আৰু (২) প্ৰস্তাৱনা। আনফালে অঙ্কীয়া নাটৰ সূত্ৰধাৰজন হৈছে একেধাৰে এজন সু গায়ক, নৰ্ত্তক, পৰিস্থিতি ব্যাখ্যাকাৰী আৰু দক্ষ অভিনয় পৰিচালক। তেওঁ নাট আৰম্ভ হোৱাৰ পৰা শেষ হোৱালৈকে মঞ্চত উপস্থিত থাকিব লাগে। অঙ্কীয়া নাটত সূত্ৰধাৰৰ জৰিয়তে সমাধা কৰিব লগা কাৰ্য্যাৱলী এনেধৰণৰ-

(১) নাটৰ আৰম্ভণিতে নান্দী আৰু প্ৰাৰম্ভিক ভটিমাৰ আবৃত্তি কৰা আৰু লগে লগে মাঙ্গলিক ভক্তি জ্ঞাপক নৃত্য কৰা।

(২) নাটৰ কথা আৰু অভিনয় দৰ্শনৰ বিষয়ে সঙ্গীৰ লগত ফল কথন।

(৩) ৰভাস্থলত প্ৰধান চৰিত্ৰক কেন্দ্ৰ কৰি পাত্ৰ-পাত্ৰী সকলক প্ৰৱেশ কৰাই দৰ্শকৰ স'তে চৰিত্ৰ সমূহৰ পৰিচয় কৰি দিয়া কাৰ্য্যও সূত্ৰধাৰ জনে কৰিব লাগে।

(৪) নাটকীয়া ঘটনা পৰম্পৰা আৰু পৰিস্থিতি সমূহ গীত আৰু কথা সূত্ৰৰ যোগেদি মুকলিকৈ প্ৰকাশ কৰা আৰু ঘটনা পৰম্পৰাৰ সংযোগ স্থাপন কৰা।

(৫) নাটকত কোন চৰিত্ৰই কেতিয়া আৰু কাৰ পাছত বচন মাতিব আৰু কি কাৰ্য্য কৰিব লাগিব সেই বিষয়ে নিৰ্দ্দেশ দিয়া।

(৬) কিছুমান ঘটনা কাৰ্য্যৰ দ্বাৰা দেখুৱাব নোৱাৰি। তেনে ঘটনাবোৰ দৰ্শকে বুজি পোৱাকৈ বৰ্ণনা কৰিব লাগে।





(৭) নাটৰ শেষত মুক্তি মঙ্গল ভটিমাৰ যোগেদি নাটৰ যৱনিকা পেলোৱা।

ওপৰত উল্লেখ কৰি অহা 'নান্দী' হৈছে শ্লোকৰ তিনিটা ভাগৰ এটা। এই নান্দী শ্লোকত সংস্কৃত নাটত থকা নান্দীৰ প্ৰভাৱ আছে। এই শ্লোকৰ প্ৰথম ভাগত থাকে নাটৰ চমু আভাষ। শঙ্কৰদেৱৰ নান্দীত আঠটা পদ যুক্ত তিনিটা নান্দী থাকে। নান্দীৰ দ্বিতীয় শ্লোকটিৰ জৰিয়তে নাটকৰ কাহিনীৰ ভিতৰত প্ৰৱেশ কৰে।

অঙ্কীয়া নাটৰ দ্বিতীয় বিশেষত্ব হৈছে গীতি প্ৰধান অঙ্কীয়া নাটবোৰত দেখা যায় যে নাট আৰম্ভণিৰ পৰা শেষলৈকে গীতৰ প্ৰাধ্যান্যতাই স্থান পাইছে। অঙ্কীয়া নাটত গীতৰ জৰিয়তে বহুত কাৰ্য্য সমাধা কৰা হয়। সূত্ৰধাৰৰ মুখত দিয়া ভটিমা এক প্ৰকাৰ আধ্যাত্মিক গীত। অঙ্কীয়া নাটৰ ভাটৰ মুখত দিয়া ভটিমা সংস্কৃত নাটৰ ভৰত বাক্যৰ অনুৰূপ। এই ভাটৰ মুখত দিয়া ভটিমাই নাটকীয় পৰিৱেশ এটাৰ সৃষ্টি কৰাত সহায় কৰে। অঙ্কীয়া নাটবোৰত প্ৰধানকৈ তিনিপ্ৰকাৰৰ গীত পৰিবেশিত হয়। (১) ৰাগ-তাল যুক্ত গীত (২) ভটিমা আৰু (৩) পয়াৰ। সংস্কৃত নাটত গীতবোৰ চৰিত্ৰ বিশেষৰ জৰিয়তে পৰিবেশত হৈছিল আৰু কেতিয়াবা নেপথ্যৰ পৰা পৰিৱেশন কৰা হৈছিল।

অঙ্কীয়া নাটৰ গীতবোৰত ভাবানুগামী ছন্দ, অনুপ্ৰাস আৰু বিভিন্ন অৰ্থালংকাৰ প্ৰয়োগ কৰাৰ কালত বৰ্ণনীয় বিষয় বস্তুক ৰমণীয় কৰি তোলাত গীতবোৰ অৰ্থপূৰ্ণ হৈছে।

অঙ্কীয়া নাটৰ তৃতীয় বৈশিষ্ট্যটি হৈছে নাটত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ। এই ভাষা কোনো বিশেষ অঞ্চলৰ ভাষা নহয়। বৈষ্ণৱ সাহিত্যিক সকলে সাহিত্যক লিখিত ৰূপত প্ৰকাশ কৰিবৰ বাবেহে এই ভাষাৰ প্ৰয়োগ ঘটায়। মৈথিলী কবি বিদ্যা পতিৰ অঙ্কাৱলীত ব্যৱহৃত হোৱা ভাষাক মূল হিচাপে লৈ বৈষ্ণৱ কবি সকলে নিজস্ব ভাষা আৰু দুই চাৰিটা আন ঠাইৰ পৰাও সংমিশ্ৰণ কৰি ব্ৰজাৱলী ভাষাৰ সৌধ নিৰ্মাণ কৰে।

মহাপুৰুষ শঙ্কৰদেৱ অসমৰ বাহিৰলৈ তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল। তাত তেওঁ ব্ৰজবুলি ভাষাত ৰচিত গীত শুনি সেই গীতৰ প্ৰতি আকৃষ্ট হয়। তেওঁ তীৰ্থ ভ্ৰমণৰ পৰা ওভতি আহি নাট ৰচনা কৰিবলৈ লয়। তেওঁৰ নাটৰ চৰিত্ৰ সমূহৰ মুখত দিয়া বচন আৰু গীতবোৰত ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰি তেওঁ অঙ্কীয়া নাটক বিশেষ ৰূপত প্ৰতিষ্ঠা কৰি থৈ গ'ল। তেওঁ অঙ্কীয়া নাটত আৰু গীত সমূহত সেই সময়ত ব্যৱহৃত অসমীয়া কথিত ভাষা ব্যৱহাৰ কৰিলেহেঁতেন তেনেহলে অসমৰ বাহিৰত বিশেষকৈ সমস্ত পূৱ ভাৰত, বঙ্গ, বিহাৰ, উৰিষ্যা আদি ঠাইত অঙ্কীয়া নাট বিশেষভাৱে সম্পাদিত নহলহেঁতেন।

অঙ্কীয়া নাটৰ চতুৰ্থ বৈশিষ্ট্য হৈছে বৃত্তগন্ধী গদ্যৰ প্ৰয়োগ। অসমীয়া সাহিত্যত গদ্যৰ প্ৰথম নিদৰ্শন পোৱা যায় শঙ্কৰদেৱৰ অঙ্কীয়া নাটত উপস্থাপন কৰা চৰিত্ৰ সমূহৰ মুখত দিয়া বচনত। এই গদ্যই কথা ৰীতি অনুসৰণ নকৰি এটি সুকীয়া ৰীতি অনুসৰণ কৰাত এই গদ্য লয়যুক্ত বা বৃত্তগন্ধী গদ্যত পৰিণত হৈছে। বাক্যবোৰত অন্ত ধ্বনিৰ মিল আৰু অনুপ্ৰাসৰ সঘন প্ৰয়োগ, সুৰ অনুসৰি সৃষ্টি কৰা বাক্যৰ শব্দ বিন্যাসে নাটৰ গদ্যক সাধাৰণ গদ্যৰ পৰা পৃথক কৰি স্বকীয়তা দান কৰিছে। 'কালীয় দমন' নাটৰ সূত্ৰধাৰৰ বৰ্ণনাত্মক গদ্যত নাট্যকাৰৰ সু-দৃঢ় গদ্য ৰচনাৰ প্ৰমাণ পোৱা যায়। গদ্যবোৰত ঠায়ে ঠায়ে সমান দীৰ্ঘত্বৰ চুটি চুটি বাক্য প্ৰয়োগৰ দ্বাৰা ৰচনা ৰীতি সৱল, আবেগশীল আৰু লয়পূৰ্ণ কৰা হৈছে। উদাহৰণ স্বৰূপে-

"তদনন্তৰে গোকুলত নানা বিসঙ্গল মিলল। ঘন ঘন ভূমিকম্প যায়, নিৰ্ঘাত পৰে। ঘৰে ঘৰে ফেকুৱা আবাৱ কৰে। অনায়াসে বৃক্ষসৱ উভালি পৰে। স্ত্ৰীক দক্ষিণ আৰু পুৰুষক বাম ফান্দে। তাহে দেখি সৰ্বলোক মহাভীতি ভৈল। যশোদাক হৃদয় কাম্পে..." (কালীয় দমন)

অঙ্কীয়া নাট অভিনয় কৰিবৰ বাবে কোনো নিৰ্দিষ্ট মঞ্চ নাছিল। সাধাৰণতে নাম ঘৰ বা ৰাজহুৱা মুকলি পথাৰত নাটবোৰত অভিনয় কৰা হৈছিল। ৰভাৰ ব্যৱস্থা কৰা হৈছিল। বাহেৰে নিৰ্মিত এই ৰভাত সুন্দৰ চন্দ্ৰতাপ বা কলপাত দি সজোৱা হৈছিল। এইটো এটা সুন্দৰ কৌশল। ৰভাৰ তলত এখন থাপনা পাতি তাৰ ওপৰত 'কীৰ্ত্তন' বা 'দশম' থাপিত কৰা হৈছিল। নাটৰ গায়ন-বায়ন সকলৰ বাবে নিৰ্দিষ্ট এডোখৰ ঠাই ৰখাৰ ব্যৱস্থা আছিল। কাপোৰেৰে নিৰ্মিত 'ছোঁ' ঘৰৰ

পৰা চৰিত্ৰ সমূহ ৰভাস্থলীত উপস্থিত হয়। চৰিত্ৰ সমূহ মঞ্চত প্ৰৱেশ কৰোতে বায়ন-গায়ন সকলৰ গীতৰ সুৰ তালৰ সতে মিল ৰাখি নৃত্য কৰি ওলাই আহিব লাগে। কেতিয়াবা নিশাৰ নাটত ৰভাস্থল পোহৰ কৰাৰ বাবে আলোক সজ্জাৰ ব্যৱহাৰো আছিল। আৰিয়া বা মহতা জ্বলাই অভিনয় থলী দিন যেন পোহৰ কৰি থৈছিল। প্ৰয়োজন সাপেক্ষে চৰিত্ৰ সমূহৰ মুখত মুখা পিন্ধাই দিয়াৰো ব্যৱস্থা কৰিছিল।

এইবোৰৰ উপৰিও অঙ্কীয়া নাটৰ ৰসৰ জৰিয়তেও নাটকৰ কলাত্মক সৌন্দৰ্য্য বৃদ্ধি কৰাত নাট্যকাৰৰ শলাগ লব লাগিব। অঙ্কীয়া নাটত প্ৰধান ৰস হৈছে ভক্তি ৰস। ভক্তি ৰসক প্ৰকট কৰি তুলিবলৈ শৃঙ্গাৰ, বীৰ, হাস্য, করুণ আৰু বাৎসল্য ৰসো প্ৰয়োগ কৰিছে। এই ভক্তি ৰসৰ লগতে জড়িত হৈ আছে অঙ্কীয়া নাট ৰচনাৰ মূল কাৰণ।

ওপৰত উল্লেখ কৰা অঙ্কীয়া নাটৰ কলা-কৌশল সমূহ প্ৰয়োগ কৰিবলৈ হলে এটা বিষয় বস্তুৰ আশ্ৰয় লবই লাগিব। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাট সমূহত ভগৱান শ্ৰীকৃষ্ণক নাটকৰ বিষয়বস্তু হিচাপে উপস্থাপন কৰিছে। শঙ্কৰদেৱৰ নাট সমূহত ভগৱান শ্ৰীকৃষ্ণৰ যুবক কালছোৱাৰ সকলোবোৰ ঘটনা সন্নিবিষ্ট কৰা হৈছে। আনহাতে মাধৱদেৱৰ নাট সমূহত ভগৱান কৃষ্ণৰ বাল্য কালৰ চতুৰালি, ঐশ্বৰিক মহিমা আদিয়ে প্ৰাধান্যতা লাভ কৰে।

অঙ্কীয়া নাট ৰচনা কৰাৰ মূল কাৰণ হৈছে অসমত একশৰণ নাম ধৰ্ম প্ৰচাৰ কৰা। বিষ্ণু বা নাৰায়ণকে একমাত্ৰ দেৱতাৰূপে, ব্ৰহ্মৰূপে, ভগৱান ৰূপে আৰু সৃষ্টি স্থিতি নিয়ন্তাৰূপে জন-গণৰ মাজত প্ৰতিষ্ঠা কৰাই বৈষ্ণৱ যুগৰ কবি সকলৰ প্ৰধান উদ্দেশ্য আছিল। শঙ্কৰদেৱে এই বৈষ্ণৱ ধৰ্মত শৰণ লৈ সমগ্ৰ অসমবাসীকে এই ধৰ্মত ৰত হব লৈ প্ৰেৰণা যোগালে তেওঁৰ ৰচিত কবিতা, গীত, নাট আদিৰ জৰিয়তে।

যিহেতু বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অঙ্কীয়া নাট ৰচনা কৰা হৈছিল সেয়েহে নাটৰ বিষয় বস্তুও কৃষ্ণৰ মাহাত্ম্য প্ৰকাশৰ দ্বাৰাই পৰিণতি ঘটাইছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচিত প্ৰথম নাট 'পত্নী প্ৰসাদ'ৰ বিষয়বস্তু ৰচিত হৈছে এনে দৰে - যাগযজ্ঞত আস্থাশীল, পাণ্ডিত্যাভিমানী, আৰু ভক্তি বিৰোধী ব্ৰাহ্মণ সকলৰ লগত কৃষ্ণ ভক্তি পৰায়ণ ব্ৰাহ্মণ পত্নী আৰু গোপ সকলৰ বিৰোধ ভাব জাগি উঠে। পাছত ব্ৰাহ্মণ পত্নী সকলৰ ঐকান্তিক কৃষ্ণ প্ৰেম দেখি ব্ৰাহ্মণসকলৰো মনৰ পৰিবৰ্তন ঘটে আৰু শেষত কৃষ্ণ ভক্তিত আশ্ৰয় লয়। নাটখনত ভক্তি মাৰ্গৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিছে। সেইদৰে 'কেলিগোপাল' নাটত কৃষ্ণৰ প্ৰতি গোপীসকলৰ যি প্ৰেমৰ চিত্ৰ দাঙি ধৰা হৈছে সেই প্ৰেম আধ্যাত্মিক প্ৰেম। এই আধ্যাত্মিক প্ৰেমকেই নাটকৰ বিষয় বস্তু হিচাপে দাঙি ধৰিছে।

মাধৱদেৱৰ নাট 'অৰ্জুন ভঞ্জনত' মূল বিষয় বস্তুৰ লগত তিনিটা উপকাহিনীৰ অৱতাৰনা কৰিছে। নাটখনৰ বিষয় বস্তু হৈছে যমলাৰ্জুন ভঙ্গ। মাধৱদেৱৰ নাট সমূহৰ নাটকীয় সংঘাত শিথিল বা লঘু হৈছে। কাৰণ তেওঁৰ নাটৰ বিষয়বস্তু হিচাপে লৈছে পৰিস্থিতি বিশেষৰ মুহূৰ্তকালীন ঘটনা বা চিত্ৰ।

উল্লেখযোগ্য যে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাটসমূহৰ মূল কাহিনী পুৰাণৰ পৰা সংগ্ৰহীত। পুৰাণৰ পৰা সংগ্ৰহ কৰা আখ্যান সমূহক তেওঁলোকৰ নাটৰ বিষয়বস্তু হিচাপে লৈছে আৰু এই বিষয় বস্তুক উজ্জলতৰ কৰি তুলিবলৈ নাট্যকাৰে কিছুমান উপকাহিনীক নাটবোৰত উপস্থাপন কৰিছে। ❐ ❐

বিঃ দ্ৰঃ ছিপাঝাৰ মহাবিদ্যালয়ৰ সাহিত্য চ'ৰাৰ উদ্যোগত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত।





# পৰিৱেশ বিজ্ঞানৰ জ্বলন্ত সমস্যা "প্ৰদূষণ"

বাবুল চন্দ্ৰ শৰ্মা
স্নাতক ১ম বাৰ্ষিক

পৃথিৱীত জীৱ জীয়াই থাকিবলৈ প্ৰাণী আৰু উদ্ভিদৰ মাজত ঘনিষ্ঠ সম্বন্ধ থকাটো সৰ্ব বিদ্যমান। প্ৰাণী আৰু উদ্ভিদ উভয়ে জীয়াই থাকিবলৈ বিভিন্ন উপাদানৰ প্ৰয়োজন। আশ্ৰয় (মাটি) বায়ু, পানী- আহাৰ আদিৰ পৰা আৰম্ভ কৰি ফল মূল ধাৰণ কৰা আৰু সন্তান জন্ম দিয়া (প্ৰজনন) টোও এই উপাদানবোৰৰ ভিতৰত পৰে। সেউজীয়া উদ্ভিদে পত্ৰহৰিৎ তথা এঙাৰ গেছৰ সমন্বয় ঘটাই শ্বেতসাৰ তৈয়াৰ কৰাৰ পৰা আৰম্ভ কৰি অক্সিজেন পৰ্য্যন্ত পৰোক্ষ ভাৱে যোগান ধৰি আছে। স্ব নিৰ্ভৰশীল উদ্ভিদৰ সমতা ৰক্ষাৰ বাবে তৃণভোজী প্ৰাণী, তৃণভোজীৰ সমতা ৰক্ষাৰ্থে মাংসভোজী আৰু লগতে সৰ্ব্বভক্ষী তথা সাময়িক নিয়ন্ত্ৰণাৰ্থে নানান ৰোগৰ বীজাণু (বেক্টেৰীয়া, ভেঁকুৰ আদি) আছে। এই সকলোবোৰে প্ৰকৃতিত ভাৰ-সাম্যতা ৰক্ষা কৰি থাকে।

কিন্তু আজি এই পৃথিৱীত এই গতানুগতিক পদ্ধতিৰ কিছু ব্যতিক্ৰম পৰিলক্ষিত হৈছে। মানুহে প্ৰকৃতিৰ ওপৰত কৰা নানান ধ্বংসাত্মক কাৰ্য্যৰ কাৰণে প্ৰাকৃতিক ভাৰসাম্য হেৰাইছে, যাৰ ফলত পৃথিৱী "প্ৰদূষণ" নামৰ এক ভয়াবহ সমস্যাৰ গৰাহত পৰিছে। বিশেষকৈ উন্নয়নশীল দেশ সমূহত হোৱা অপৰিকল্পিত (বা কুপৰিকল্পিত) অথচ দ্ৰুত শিল্পায়নে জনসংখ্যাৰ বিস্ফোৰণে আমাৰ পৰিৱেশ যি হাৰত দূষিত কৰি আনিছে, সি একেটা হাৰতে চলি থাকিলে আমাৰ শস্যগৰ্ভা, সেউজীয়া পৃথিৱীখনে অচিৰেই মৃত্যু পুৰীত পৰিণত হোৱাৰ আশাংকা আছে।

**সমস্যাৰ গভীৰতা ঃ**

(১) **বায়ু প্ৰদূষণ** (Air Pollution) ঃ বিভিন্ন শিল্প উদ্যোগ, যান-বাহন, ঘৰুৱা ইন্ধন আদিৰ পৰা ওলোৱা ধোৱা, ছাই, কাৰ্বনডাই অক্সাইড, হাইড্ৰোজেন-ছালফাইড, কাৰ্বন মন অক্সাইড, ছালফাৰ ডাই অক্সাইড আৰু বিষাক্ত গেছেৰেই আমাৰ বায়ু মণ্ডল ভৰি পৰিছে আৰু ই জীৱ জগতত নানান নিত্য নতুন জটিল ৰোগৰ সৃষ্টি কৰিব লাগিছে। বায়ুমণ্ডলৰ ক্ৰমাগত ভাৱে বাঢ়ি অহা কাৰ্বনডাই অক্সাইডৰ পৰিমাণে পৃথিৱীৰ উষ্ণতাও বঢ়াই তুলিছে। ফলস্বৰূপে সমস্ত পৃথিৱীখনেই ধ্বংস হৈ পৰাৰ সম্ভাৱনাই দেখা দিছে। আনহাতে পাৰমাণৱিক শক্তি উৎপন্ন কৰা পাৰমাণৱিক চুল্লী, পাৰমাণৱিক বিস্ফোৰণ আদিৰ পৰা ওলোৱা তেজস্ক্ৰিয় পদাৰ্থ বিলাক যদি কিবা প্ৰকাৰে বতাহত মিহলি হৈ পৰে তেন্তে আৰু নিস্তাৰ নাই। ই শৰীৰৰ বাবে অতি ক্ষতিকাৰক আৰু ভয়ঙ্কৰ। এই ভয়াবহতাৰ সাক্ষ্য বহন কৰি আহিছে জাপানৰ হিৰোচিমা আৰু নাগাচাকিৰ বোমা বিস্ফোৰণ আৰু ৰাচিয়াৰ চাৰ্ণবিলত হোৱা দুৰ্ঘটনাজনিত বিস্ফোৰণে, য'ত আজিও ইয়াৰ প্ৰতিক্ৰিয়া হৈ আছে।

(২) **পানী প্ৰদূষণ** (Water Pollution) ঃ আমাৰ মাজত এনে ভাৱ আছে যে পানীত অনাগতিয়াল বস্তু পেলাই দিয়া হ'ল- পৰিষ্কাৰ পৰিছন্নতা। মানুহৰ পৰিৱেশ প্ৰদূষণৰ কু-প্ৰভাৱৰ বিষয়ে থকা জ্ঞানৰ অভাৱে আজি অসম তথা ভাৰতৰেই নহয়, সমগ্ৰ বিশ্বৰে নদ, নদী, জান-জুৰি, সাগৰ-মহাসাগৰৰ পানী ইমান কলুষিত কৰিছে যে তাত জলজ প্ৰাণী

সমূহ বৰ্তি থকাই কঠিন হৈ পৰিছে। বিভিন্ন উদ্যোগ সমূহৰ পৰা নিৰ্গত আৱৰ্জনা সমূহ, ঘৰুৱা আৱৰ্জনীয় দ্ৰব্য, খেতি পথাৰৰ আৱৰ্জনা মলমূত্ৰ আদিয়ে পানী প্ৰদূষিত হোৱাত অবিহণা যোগাই আহিছে।

(৩) মাটি প্ৰদূষণ (Soil Pollution) ঃ বৰ্তমানে বিশ্বৰ প্ৰায়বোৰ দেশতে কৃষি উৎপাদন বঢ়াবলৈ ন ন বৈজ্ঞানিক কৌশল কৃষিখণ্ডত প্ৰয়োগ কৰিবলৈ লোৱা হৈছে। ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য অত্যাধিক মাত্ৰাত ব্যৱহাৰ কৰাৰ ফলত মাটি তথা পৰিৱেশ তন্ত্ৰ (Ecosystem) বিভিন্ন প্ৰকাৰে বিষাক্ত হৈ পৰিছে। বহু জীৱ জন্তু তথা মানুহ এনে ৰাসায়নিক দ্ৰব্য প্ৰত্যক্ষ বা পৰোক্ষভাবে ভক্ষণৰ ফলত বিষক্ৰিয়া সংঘটিত হৈ মৃত্যু মুখত পৰিছে। ইয়াৰোপৰি উপকাৰী বহুতো চৰাই চিৰিকতি, কীট পতংগ একে ধৰণে ধ্বংস হোৱাৰ ফলত আমাৰ পৰিৱেশতন্ত্ৰ এক ভাৱসাম্যহীনতাৰ ফালে আগবঢ়াৰ উপক্ৰম হৈছে।

(৪) শব্দ প্ৰদূষণ (Sound Pollution) ঃ যন্ত্ৰ নিৰ্ভৰ আধুনিক সভ্যতাৰ এটি অভিশাপ হৈছে "শব্দ প্ৰদূষণ" আজিৰ যান্ত্ৰিক যুগত চাৰিওফালে কেৱল কল কাৰখানা, যান বাহনৰ শব্দ, মাইক্ৰ'ফোন, গগন কপাই যোৱা জেট'প্লেন আদিৰ শব্দ হৈ এক অসন্তুষ্টিকৰ পাৰিপাশ্বিকতাৰ সৃষ্টি কৰে। অধিক হুলস্থূলৰ মাজত থাকিলে মূৰৰ কামোৰনি, উচ্চ ৰক্ত চাপ হৈ মানসিক ভাৱসাম্যহীনা হৈ পৰে।

**ভৱিষ্যত কৰ্মপন্থা ঃ**

সকলো চিন্তা চৰ্চাৰ পৰা দেখা যায় যে প্ৰকৃতিৰ বুকুলৈ নামি অহা প্ৰাকৃতিক ভাৱসাম্যহীনতাৰ ফলত হব পৰা ভয়াবহ পৰিস্থিতিৰ সৃষ্টিকৰ্তা হৈছে মানুহেই। মানুহেই হৈছে আটাইতকৈ বেছি প্ৰদূষক আৰু মূল কাৰণ হৈছে আমাৰ অবৈজ্ঞানিক চিন্তা ধাৰা। এই ক্ষেত্ৰত মানুহ যদি সজাগ হয়, যি কোনো উপায়ে অৰ্থ উপাৰ্জন কৰি নিজক তথা দেশক কেৱল আৰ্থিক দিশত টনকিয়াল কৰাৰ মনোভাৱ পৰিহাৰ কৰে, তেন্তে ভৱিষ্যতৰ এই ভয়াবহ পৰিস্থিতিৰ পৰা হাত সাৰি থাকিব পৰা যাব।

পৰিৱেশ অনুকূলে ৰখাৰ মুখ্য উপাদান হ'ল সকলো প্ৰকাৰৰ সেউজীয়া উদ্ভিদ। উদ্ভিদ জগতৰ পৰা যে আমি কেৱল অন্ন, বস্ত্ৰ, বাসস্থান আৰু দৈনন্দিন ব্যৱহাৰ্য্য নানা সামগ্ৰীয়েই পাওঁ তেনে নহয়, ই আমাৰ জীয়াই থকাৰ প্ৰতি মুহূৰ্তৰ পৰম সম্বল। উদ্ভিদে প্ৰাণীজগতৰ বাবে ভীষণ অপকাৰী কাৰ্বন ডাই অক্সাইড গেছ আহৰণ কৰি বায়ুমণ্ডললৈ প্ৰাণীৰ জীৱন দায়ক অক্সিজেন গেছ যোগান ধৰে, সেই কথা বহলাই কোৱাৰ নিষ্প্ৰয়োজন। তাৰোপৰি উদ্ভিদে ভূমি সংৰক্ষণৰ ক্ষেত্ৰতো বিশেষ অবিহনা যোগায়। গতিকে আমি বৃক্ষ উচ্ছেদ বন্ধ কৰি মাটিবোৰত বনানীকৰণৰ প্ৰচেষ্টা চলাব লাগিব। এইটো স্বীকাৰ্য্য যে বৰ্তমান যুগত কল কাৰখানা যান্ত্ৰিক আহিলা পাতি আদি মানুহৰ প্ৰগতিৰ অবিচ্ছেদ্য সমল। তথাপিও পৰিৱেশ দূষিত নোহোৱাকৈ যান্ত্ৰিক কল কাৰখানা স্থাপন কৰি তাৰ দ্বাৰা উৎপাদন বঢ়োৱাৰ প্ৰচেষ্টা চলাব লাগে। কৃষিখণ্ডত ৰাসায়নিক সাৰ আৰু কীট্নাশক জীৱানু প্ৰয়োগ কৰিব লাগে যাৰ পৰা আমাৰ পৰিৱেশ তন্ত্ৰ ক্ষতিগ্ৰস্ত নহয়। মুঠতে চৰকাৰ কিম্বা জনসাধাৰণে উন্নয়নৰ কাৰণে যি আচনিয়েই হাতত নলওঁক কিয় তাত এটাই মাত্ৰ দূৰদৃষ্টি থাকিব লাগে সেয়া হ'ল "বিনাশ মুক্ত প্ৰগতি"।

আমি উত্তৰাধিকাৰী সূত্ৰে পোৱা এই বিনন্দীয়া পৃথিৱীখন ভৱিষ্যত উত্তৰাধিকাৰী সকলৰ বাবে সুন্দৰ ভাৱে এৰি যোৱাটো আমাৰ অন্যতম কৰ্তব্য। বিশ্বৰ প্ৰতিজন সচেতন ব্যক্তিয়ে পৰিৱেশ প্ৰদূষণ ভয়াবহতাৰ বিষয়ে সময় থাকোতেই সজাগ হৈ সবল প্ৰচেষ্টা হাতত ললেহে নতুন পুৰুষৰ বাবে "পৰিৱেশ" নামৰ সম্পদ এৰি থৈ যাব পৰা হব। নহলে উত্তৰ পুৰুষে পাব এক ভয়াবহ অভিশাপ। ❐ ❐

# "সঙ্গীত আৰু ভাৰতীয় সঙ্গীত"

কৰবী বৰুৱা
স্নাতক ১ম বাৰ্ষিক

"গীতং বাদ্যং চ নৃত্যং এয়ং সঙ্গীত সূচ্যতে"

গীত, বাদ্য আৰু নৃত্য এই তিনি কলাক একত্রে সঙ্গীত বোলে। প্রকৃতাৰ্থত গায়ন, বায়ন আৰু নৰ্ত্তন এই তিনিকলাৰ সমাহাৰেই সঙ্গীত।

১। **সঙ্গীতৰ উৎপত্তি ঃ** সঙ্গীতৰ উৎপত্তি সম্বন্ধে বিভিন্নজনে বিভিন্ন সময়ত নিজ নিজ মতামত ব্যক্ত কৰি আহিছে। এই ক্ষেত্ৰত পৰম্পৰাগত ভাৱে চলি অহা জনবিশ্বাসো উল্লেখযোগ্য। বহুতৰ মতে সঙ্গীতৰ স্রষ্টা হ'ল ব্রহ্মা। ব্রহ্মাৰপৰা নাৰদে সেই শিক্ষা গ্রহণ কৰে আৰু নাৰদৰ দুগৰাকী শিষ্য হাহা আৰু হুহুৱে পৃথিৱীত সঙ্গীতৰ প্ৰচলন কৰে। আন কাৰোবাৰমতে মহাদেৱহে সঙ্গীতৰ স্রষ্টা। সঙ্গীতৰ উৎপত্তি সম্পৰ্কে বিভিন্ন দিশত সিদ্ধান্ত সমূহ বহলভাৱে তিনিটা ভাগত বিভক্ত কৰিব পৰা যায়। যেনে, দাৰ্শনিক বা আধ্যাত্মিক সিদ্ধান্ত, বৈজ্ঞানিক সিদ্ধান্ত আৰু ব্যৱহাৰিক সিদ্ধান্ত।

আধ্যাত্মিক বা দাৰ্শনিক সিদ্ধান্তত প্ৰাচীন ভাৰতীয় সঙ্গীত বিদ্বানসকলৰ সিদ্ধান্তৰ কথা উল্লেখ কৰিব পাৰি। তেওঁলোকৰ মতে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ড নাদৰ অধীন। এই আদি নাদ হ'ল ওঙ্কাৰ ধ্বনি আৰু এই ধ্বনিয়েই সেই সকলো ধ্বনিৰে মূল। নাদৰ পৰাই সঙ্গীতৰ সৃষ্টি। ভাৰতীয় চিন্তাধাৰা অনুসৰি য'তে সঙ্গীত তাতেই ভগৱান বিদ্যমান। "মদ্ভক্তা যত্র গায়ত্রি তিষ্টামি তশ্র নাৰদ" এই একেই সুৰ ধ্বনিত হৈছে মাধৱদেৱৰ ৰচনাত-

একান্ত ভকতসৱে　　　　নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি　　　　যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।।

গ্ৰীক দাৰ্শনিক এৰিষ্টটলৰ মতে সঙ্গীত হ'ল মানৱৰ আধ্যাত্মিক উন্নতিৰ প্ৰধান মাধ্যম।

সঙ্গীতৰ উৎপত্তি সম্পৰ্কে কেইবাটাও বৈজ্ঞানিক মত দেখিবলৈ পোৱা যায়। প্ৰবাদ আছে যে আদিম যুগত গুহাবাসী মানুহে বিভিন্ন সময়ত চিকাৰৰ বাবে ওলাই গৈছিল। হয়তো বিভিন্ন চৰাই-চিৰিকতিৰ মাত-কথা আৰু লগতে তেওঁলোকে ইজনে সিজনৰ মনৰ ভাৱ প্ৰকাশ কৰিবৰ বাবে নানান ধৰণৰ অঙ্গী ভঙ্গী কৰিছিল। যাৰ ফলত তেওঁলোকৰ অঙ্গী ভঙ্গীৰ পৰাই আজিৰ নৃত্যৰ সৃষ্টি হৈছে আৰু চৰাই বিলাকৰ মাত কথাৰ পৰাই বিভিন্ন স্বৰৰ প্ৰয়োগ ৰাগসমূহত হৈছে। কোনো কোনো বিজ্ঞানীৰ মতে কথাৰ পৰাই সঙ্গীতৰ সৃষ্টি হয়। আনন্দৰ আতিশয্যাত আমি হাহোঁ বা কান্দো আৰু এই হহাঁ বা কন্দা কেতিয়াবা ওপৰলৈ উঠে আৰু কেতিয়াবা তললৈ নামে। তাৰ পৰাই গানৰ সৃষ্টি হয়।

ব্যৱহাৰিক দিশত কোনো কোনো লোকে কবলৈ বিচাৰে যে সঙ্গীত হ'ল মানৱৰ কৰ্মবহুল দৈনন্দিন জীৱনৰ বিভিন্ন দিশ আৰু ভাৱধাৰাৰ সামঞ্জস্য সাধন কৰি প্ৰকাশ লাভ কৰা সুকুমাৰ কলা।

২। **ভাৰতীয় সঙ্গীতৰ ইতিহাস ঃ** ইতিহাসৰ দৃষ্টিকোণৰ পৰা থুলমূলকৈ ভাৰতীয় সঙ্গীতৰ প্ৰবাহৰ সময় বা যুগ তিনিটা স্তৰত ভাগ কৰিব পাৰি। প্ৰথমে হিন্দু যুগ বা সময়, দ্বিতীয়তে মুছলমান যুগ বা সময়, তৃতীয়তে ইংৰাজ যুগ বা

SIPAJHAR COLLEGE LIBRARY
P.O.—SIPAJHAR, DARRANG

সময়। অতীজ ভাৰতৰ সঙ্গীত বুৰঞ্জীৰ মতে খৃষ্টপূৰ্ব ৩৫০ ৰ আগতেই আমাৰ সঙ্গীতৰ প্ৰবাহ হৈছিল। বুৰঞ্জীয়ে যোগোৱা সম্বলৰ পৰা জনা যায় যে উল্লেখ কৰা খৃঃ পূঃ ৩৫০ ৰ পূৰ্বৰ পৰাই স্বৰ সাতোটাৰ নাম সা-ৰে-গা-মা-পা-ধা-নি এই নামেৰে জনাজাত আছিল। মহাকবি কালিদাসৰ সময়তো ভাৰতীয় সঙ্গীত জাগ্ৰত অৱস্থাত আছিল। পৰৱৰ্তী কালৰ ভাৰত 'নাট্যশাস্ত্ৰ' প্ৰাচীন সঙ্গীতৰ আধাৰিত গ্ৰন্থ বুলি জনা যায়। এইদৰে দশম শতিকাত "নাৰদীয় শিক্ষা" নামৰ এখনি সঙ্গী গ্ৰন্থৰ নাম পোৱা যায়। বৈদিক কালত ভাৰতীয় সঙ্গীতৰ স্থিতি প্ৰতিষ্ঠা হৈছিল বুলি কব পাৰি। প্ৰাচীন ঋগবেদ, সামবেদ পৰাই ভালেমান ভাব ৰস আহি পৰিছিল।

জনামতে মুছলমান সকল পোনতে ভাৰতলৈ আহে ১১ শ শতাব্দীত। তেওঁলোকে ভাৰতীয় সঙ্গীতৰ তাত্ত্বি দিশৰ বিষয়ে অভিজ্ঞতা গোটোৱাতকৈ ক্ৰিয়াত্মক দিশৰ পটুতা প্ৰদৰ্শনত মনোনিবেশ কৰিছিল। জয়দেৱৰ "গীত গোবিন্দ পণ্ডিত মাৰঙ্গদেৱৰ "সঙ্গীত ৰত্নাকৰ" পুথি মুছলমান যুগতে ৰচনা হৈছিল বুলি কব পাৰি। এই যুগৰে স্বামী হৰিদাস আৰু তেখেতৰ শিষ্য তানসেন, বৈজু আদিৰ লগতে হৃদয় নাৰায়ণ আৰু শোৰী মিঞাৰ নামো স্মৰণ কৰিব পাৰি।

ইংৰাজৰ আমোলত ভাৰতীয় সঙ্গীতৰ প্ৰচাৰক্ষেত্ৰ এক সীমিত পৰিসৰত আৱদ্ধ আছিল। কালক্ৰমত তেওঁলোক আমাৰ কলা সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। ১৮১৩ চনত পাটনাৰ সঙ্গীত বিদ্বান মহম্মদ ৰাজাই "নগমাতে আসফী নামৰ সঙ্গীত পুস্তক ৰচনা কৰি ৰাগ-ৰাগিনী আদিৰ ব্যাখ্যা বিশদভাৱে ইংৰাজৰ দিনতে দিছিল।

৩। **ভাৰতীয় ৰাগ সঙ্গীত ঃ** বিশ্ব সংস্কৃতিৰ অনুপম ৰত্নভাণ্ডাৰলৈ ভাৰতবৰ্ষত সৰ্বশ্ৰেষ্ঠ অৱদান হ'ল ৰাগ সঙ্গীত। ৰাগ সঙ্গীত কোনো এক ব্যক্তি বিশেষৰ সৃষ্টি বা কোনো বিশেষ স্থান বা কালৰো অৱদান নহয়। ৰাগ সঙ্গী ভাৰতীয় পৰম্পৰাৰ এটি অবিচ্ছেদ্য অংগ। বৰ্তমান শতাব্দীৰ আৰম্ভণিৰে পৰা ভাৰতীয় ৰাগ সঙ্গীতে ভালেমান পাশ্চাত্য সঙ্গীত বিদৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কেইবা গৰাকীও পাশ্চাত্য সঙ্গীতবিদে ৰাগ সঙ্গীতৰ সংজ্ঞা নিৰূপ কৰাৰ প্ৰয়াস কৰাও দেখা গৈছে। ৰাগ সঙ্গীতৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হোৱা বৰ্তমান কালৰ প্ৰখ্যাত বেহেলা বাদক য়হু মেনুহীনৰ মতে ৰাগ হ'ল "An exhasted personal expression of union with the infinite." ৰাগ শব্দ উৎপত্তি সংস্কৃতৰ "ৰঞ্জ" ধাতুৰপৰা হৈছে 'ৰঞ্জ' মানে ৰঙেৰে বিলোৱা, প্ৰসন্ন হোৱা, মনত তৃপ্তি পোৱা। "ৰঞ্জয়তী ৰাগ ঃ" অৰ্থাৎ যি শ্ৰোতাৰ মন ৰঙেৰে বোলাব পাৰে সেয়াই ৰাগ।

প্ৰখ্যাত চেতাৰ বাদক Ravi Shankar ৰ 'My music my life' নামৰ গ্ৰন্থখনিত তেওঁ লিখিছে, "Throug the rich melodies of our music every human sullatte model in man and nature ca expressed." প্ৰচলিত প্ৰতিটো ৰাগেই একোটা বিশেষ সময়ত পোৱা বা বজোৱাৰ ৰীতি গণ্য কৰিব পৰা যায়। বিভি সময়ৰ বাবে বিভিন্ন ৰাগ নিৰ্দ্ধাৰিত কৰা হৈছে আৰু বৰ্তমান কালতো ৰাগ সঙ্গীতৰ শিল্পীসকলে শ্ৰদ্ধা আৰু নিষ্ঠা সহকা এই নিয়ম পালন কৰি অহা দেখিবলৈ পোৱা যায়।

৪। **ভাৰতীয় সঙ্গীতত পাশ্চাত্য সঙ্গীতৰ প্ৰভাৱ ঃ** ভাৰতীয় সঙ্গীত জগতৰ ধ্ৰুৱ তৰা স্বৰূপ কোকিল কণ্ঠ গায়িকা লতা মঙ্গেশকাৰৰ মতানুসৰি প্ৰায় পঞ্চাশ বছৰৰো আগৰ কালত ভাৰতীয় সঙ্গীতত পাশ্চাত্যৰ ৰহন সানে প্ৰখ্যা গায়ক, সঙ্গীতজ্ঞ পংকজ মালিকদেৱে আৰু তেতিয়াৰ পৰাই বৰ্তমানলৈকে পশ্চিমৰ দেশবিলাকৰ সৈতে হাত মিলা পৰাকৈ ভাৰতীয় সঙ্গীতৰ ধাৰাই উন্নতিৰ জখলাত বগাই আছে, মহাপুৰুষ শংকৰদেৱে যেনেকৈ বৰগীতৰ জৰিয়ত অসমীয়া সমাজত বৈষ্ণৱধৰ্ম প্ৰচাৰৰ বাবে চেষ্টা চলাইছিল, মালিকদেৱেও পাশ্চাত্য সঙ্গীতৰ প্ৰভাৱেৰে ভাৰতীয় সংগীত পোহৰৰ বাট দেখুৱাই লৈ গৈছিল।

৫। **ভাৰতীয় সঙ্গীতত পণ্ডিত বিষ্ণুনাৰায়ণ ভাট খাণ্ডেজীৰ অৱদান ঃ** বুৰঞ্জীৰ তথ্য অনুসৰি হিন্দুযু মুছলমান যুগ আৰু বিদেশী যুগৰ প্ৰভাৱত হিন্দুস্থানী আৰু কৰ্ণাটকী এই দুটা পদ্ধতি আমাৰ ভাৰতবৰ্ষত চলি আহে হিন্দুস্থানী সঙ্গীত পদ্ধতিত পণ্ডিত বিষ্ণুনাৰায়ণ ভাট খাণ্ডেজীৰ অৱদান চিৰস্মৰণীয়। এই মহান ব্যক্তি গৰাকীয়ে একনি সাধনা আৰু অগাধ পণ্ডিত্যৰে ভাৰতীয় শাস্ত্ৰীয় সংগীতত এটি নবযুগৰ পথৰ সন্ধান দি থৈ গ'ল। এই বৰেণ্য ব্যক্তি





গৰাকীৰ জন্ম হৈছিল ১৮৬০ খ্ৰীঃত বোম্বাই চহৰৰ বালকেশ্বৰত। পিতৃ-মাতৃৰ সঙ্গীতৰ প্ৰতি বিশেষ ৰাপ থকা হেতুকে ভাটখাণ্ডেজীয়ে সৰুৰে পৰাই এটি সঙ্গীত মুখৰ পৰিৱেশত ডাঙৰ দীঘল হৈছিল। যাৰ ফলত ভাটখাণ্ডেজীয়ে বিভিন্ন লিখনী গ্ৰন্থ আদি লিখি জনসমাজৰ মাজত প্ৰতিষ্ঠা লভিছিল। শ্ৰী মৎ লক্ষ্য সঙ্গীত আৰু অভিনৱ ৰাগ মঞ্জৰী এই দুখন সংস্কৃত ভাষাত লিখা গ্ৰন্থৰ নাম পোন প্ৰথমেই লবলগীয়া। ১৯১৬ খৃঃত বিষ্ণু নাৰায়ণজীৰ অক্লান্ত পৰিশ্ৰমৰ বলত লক্ষ্মৌত 'মেৰিছ কলেজ অৱ হিন্দুস্থানী মিউজিক' নামৰ এটা অনুষ্ঠান স্থাপিত হয়। এই কলেজখনেই বৰ্তমানে 'ভাটখাণ্ডে সঙ্গীত বিদ্যাপীঠ।' নামে সমগ্ৰ বিশ্বতে জনাজাত। সঙ্গীতৰ দিশত এই গৰাকী মহান সঙ্গীতবিদে অনেক উৎকৰ্ষ সাধন কৰি অৱশেষত ১৯৩৬ খ্ৰীঃত এই জগতৰ পৰা চিৰ বিদায় লয়।

৬। **স্বাধীন ভাৰতৰ সঙ্গীত ঃ** ১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছৰ পৰা আমাৰ সকলো ধৰণৰ বা বিষয়ৰ সংস্কাৰ আৰম্ভ হল। ইয়াৰ পৰাই ভাৰতীয় সঙ্গীতৰ প্ৰকাশ আৰু বিকাশ, বহল পৰিধিলৈকে গতি কৰিবলৈ সকলো প্ৰকাৰৰ চেষ্টা আৰম্ভ হল। দেশৰ বিভিন্ন ঠাইত প্ৰতিষ্ঠা হোৱা সঙ্গীত শিকোৱা আৰু প্ৰচাৰৰ অনুষ্ঠানবোৰে সঙ্গীতৰ প্ৰচলন বিস্তৃত ভাবে জনসমাজলৈ কঢ়িয়াই আনিলে। স্বাধীনতা লাভ কৰাৰ পিছত আমাৰ দেশৰ বিভিন্ন ঠাইত বিজ্ঞান সম্মতভাৱে ৰাগ সঙ্গীতত ক্ৰিয়াত্মক আৰু উপপত্তিক দুয়োটা দিশৰে শিক্ষা আৰু চৰ্চাৰ প্ৰচেষ্টাও হাতত লোৱা হৈছে। এই ক্ষেত্ৰত আকাশবাণীৰ অৱদান বিশেষভাৱে সুৱঁৰিব লাগিব। নবীন, প্ৰবীণ সঙ্গীত সাধকৰ সাধনাৰে ভাৰতীয় সঙ্গীতৰ স্থান বিশ্ব সংগীত মাধ্যমবোৰৰ সহায়েৰে এই কলাৰ বিকাশ নিতৌ হৈ আহিছে। সেইবাবে ভাৰতীয় সঙ্গীতৰ পৰিসৰৰ মাপকাঠি বৰ্তমানে জুখিব নোৱাৰা অৱস্থাত দোদুল্যমান হৈ আছে। ❐ ❐

---

বিঃ দ্ৰঃ প্ৰসঙ্গ পুথি ৰাগ সঙ্গীত, সঙ্গীত কলাপিকা আৰু সঙ্গীত বিশাৰদৰ সহায় লৈ।

যি মানুহে কেতিয়াও নিজৰ মত নসলায় তেওঁৰ মনটো মৰাসুঁতিত পৰিণত হয়। তাত কেৱল নানা ধৰণৰ বিষাক্ত সৰীসৃপৰ জন্ম হয়।

- উইলিয়াম ব্লেক

দুৰ্বলতাইহে ক্ষমতা লিপ্সাৰ জন্ম দিয়ে। শক্তিশালী মানুহে ক্ষমতাৰ প্ৰতি কোনো দুৰ্বলতা অনুভৱ নকৰে।

-এৰিক ফ্ৰম

# ছিপাঝাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰুবৃন্দ ১৯৯৫-৯৬




বহি বাওঁফালৰ পৰা ঃ সৰ্বশ্ৰী তন্দ্ৰালী চৌধুৰী, দেবব্ৰত বৰদলৈ, জয়ন্ত হাজৰিকা, মোহিনী গোস্বামী, দ্বিজেন্দ্ৰ তালুকদাৰ, অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ, উপাধ্যক্ষ বিদ্যাৰাম নাথ, কনক চন্দ্ৰ ডেকা, তীৰ্থনাথ শৰ্মা, চক্ৰপাণি বৰা, মিনতি গোস্বামী।

থিয় হৈ প্ৰথম শাৰী ঃ মুকুল চহৰীয়া, চন্দ্ৰ চৌধুৰী, আব্দুচ চামাদ, হেমজ্যোতি ডেকা, চুলতানা ৰেজিয়া, বৰ্ণালী শৰ্মা, মালিনী নায়াৰ, গুলতাজ বেগম, ইমৰাণ হুছেইন, ৰামচন্দ্ৰ ডেকা, প্ৰসন্ন কুমাৰ নাথ, মহেন্দ্ৰ কটকী, দিবাকৰ দাস, ফণীন্দ্ৰ নাথ, দুলেন নাথ।

থিয় হৈ তৃতীয় শাৰী ঃ তিলক ডেকা, মদন মোহন নাথ, শৈলেন চহৰীয়া আৰু জন্টিৰাম হাজৰিকা।

# ছিপাঝাৰ মহাবিদ্যালয় সাহিত্য চ'ৰা



চ'ৰাৰ দ্বাৰা আয়োজিত বক্তৃতা প্ৰদান অনুষ্ঠানত বক্তৃতা প্ৰদান কৰিছে মণ্ডলদৈ মহাবিদ্যালয়ৰ অধ্যাপক গীতিকাৰ, কবি মাননীয় এম্ ইদ্ৰিছ আলিদেৱে।



সাহিত্য চ'ৰাৰ দ্বাৰা আয়োজিত সম্বৰ্দ্ধনা সভাত মহাবিদ্যালয় শিক্ষকগোটৰ প্ৰথম ডক্টৰেট ডিগ্ৰী লাভ কৰোতা মাননীয় শিক্ষাগুৰু ড° ৰামচন্দ্ৰ ডেকা দেৱক সম্বৰ্দ্ধনা পত্ৰ জ্ঞাপন কৰিছে চ'ৰাৰ সম্পাদক মঃ ইছাহাৰ আলিয়ে।



# ঋণ

কল্পনা ৰাণী শৰ্মা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

: অৰূপ, অই অৰূপ কলেজলৈ নোযোৱা নেকি। ফৰ্ম ফিলাপ নকৰা? সমীৰে আহি অৰূপক সুধিলেহি।

: মই নাযাওঁ আজি, ফৰ্ম ফিলাপৰ বাবে টকা কেইটা যোগাৰ কৰিব পৰাই নাই। আজি কিবাকৈ যোগাৰ কৰিব পাৰিলে অহা কালিলৈ যাম। অৰূপে উদাসীনভাৱে উত্তৰ দিলে।

অৰূপ আৰু সমীৰ দুয়োটাই স্থানীয় কলেজখনৰ পৰা T.D.C. Part I দিব। অহাকালি সিহঁতৰ ফৰ্ম ফিলাপৰ শেষ দিন। অথচ সি আজিলৈকে টকা কেইটা গোটাব পৰা নাই। টকাৰ কথা মনলৈ আহিলেই তাৰ খংটোৱে উক্ দি উঠে। ঘৰখনত অনবৰতে টকাৰ অভাৱ। এই অভাৱে কেতিয়ানো পিছ এৰিব সি ভাবি পাব নোপোৱা হৈছে।

অৰূপ, অৰূপ শৰ্মা। তাৰ দেউতাকে প্ৰাথমিক স্কুল এখনত শিক্ষকতা কৰে। ঘৰখনত ছয়টা প্ৰাণী। মাক-দেউতাক ভায়েকটো আৰু ভনীয়েক দুজনী। ভায়েক ৰাজীৱ এইবাৰ H.S. First Year ৰ ছাত্ৰ। ভনীয়েক দুজনী হাইস্কুলতে আছে। ঘৰখনৰ সিয়ে ডাঙৰ। এই সকলোবোৰৰ খৰচৰ দায়িত্ব একমাত্ৰ দেউতাকৰ উপাৰ্জনৰ টকা কেইটাই। তাতে আজি তিনিমাহ ধৰি দৰ্মহা হোৱা নাই। চাউল, দাইলকে আদি কৰি ঘৰখনৰ প্ৰত্যেকটো বস্তুৱেই কিনা। তাৰোপৰি চাৰিটাকৈ ল'ৰা-ছোৱালীৰ পঢ়া খৰছ। মাক-দেউতাকে ঘৰখন যে কেনেকৈ চলাই আছে। এই কথা ভাবিলেই তাৰ মূৰটো গৰমহৈ উঠে।

অৰূপৰ খং একমাত্ৰ জাতিটোৰ বাবেই। সি ভাবে "মোকনো কিহে পাইছিল এই ব্ৰাহ্মণ পৰিয়ালটোত জন্ম লবলৈ। ভগবানে মোৰ নিশ্চয় কিবা পৰীক্ষাহে লৈছে"। তাৰ বন্ধু সমীৰ দাস। তাৰ দেউতাক হ'ল এজন First Class ঠিকাদাৰ। তথাপিও সি পায় ছাত্ৰ বৃত্তি। কিয়নো সি পিচপৰা জাতিৰ ল'ৰা। সেই কেইটা টকা তাৰ বাবে সাগৰৰ ওপৰত বৰষুণ দিয়াৰ দৰে হৈছে। সেই কেইটা টকা সি পোৱা হলে আজি হয়তো ফৰ্ম ফিলাপৰ সময়ত অসুবিধাই দেখা নিদিলেহেঁতেন।

অৰূপে চিন্তা কৰি থাকোতেই বাহিৰত দেউতাকৰ বুঢ়া চাইকেলখনৰ ঝন্ ঝন্ শব্দ শুনিবলৈ পালে। সি ভাবিলে দেউতাই বা কৰবাত পইচা পালেনে নাই। যদি পোৱা নাই তেনেহলে অহাকালি কি হব! কথাবোৰ ভাবি ভাবি সি বিচনাখনত বাগৰ দিলে। তাৰ চিলমিলকৈ টোপনি আহিব ধৰোতেই কোনোবাই দুৱাৰখন খোলা যেন পালে। সি চকু মেলি মাকক তাৰ কাষলৈ অহা দেখা পালে। মাকে তাৰ ওচৰ চাপি কলে "বোপাই দেউতাৰে কতো এটা ফুটা কড়িও নেপালে ; চাৰিওফালে যিহেতু ধাৰ ; গতিকে কোনেও ধাৰ দিব নোখোজে, তেনে ক্ষেত্ৰত দেউতাৰে পইচা ক'ত পাব? সেয়েহে মই এটা কথা ভাবিছো আমাৰ যে সেই খীৰতী গাইজনী- তাইকে অহাকালি ৰাতিপুৱাতে বিক্ৰী কৰি দি তোমাৰ পইচা কেইটা যোগাৰ কৰা যাওঁক নহ'লেতো অন্য উপায় নাই।" মাকৰ কথা শুনি সি মাকৰ মুখলৈ চালে। বাৰ্দ্ধক্যৰ চাপ পৰা মুখখনত সি দেখা পালে পাই হেৰুৱাৰ বেদনা আৰু পুত্ৰক সন্তুষ্ট কৰাৰ তৃপ্তিত জিলিকি উঠা চকুযুৰি। সি মনতে শপত খালে "এইবাৰ মই নিশ্চয় ভালদৰে পৰীক্ষাত পাছ কৰিম আৰু যি কোনো উপায়ে উপাৰ্জনৰ পথ মুকলি কৰি মাৰ এই ঋণ পৰিশোধ কৰিম।"

পিছদিনাখন পুৱাতে সি বজাৰৰ ফালে অগ্ৰসৰ হ'ল। ❑ ❑ ❑



# অভিনয়ত যদি মৰম ৰয়

নগেন চন্দ্ৰ বৰুৱ
স্নাতক প্ৰথম বাৰ্ষিক

অভিনেতা নিলাঙ্ক বৰুৱাৰ অভিনয় চোৱাৰ পৰা অভিনেত্ৰী ভায়োলীনা শৰ্মাৰ এক বুজাব নোৱাৰা শিহৰণ উঠিল কি আচৰিত অভিনয়? কি অদ্ভুত প্ৰাণৰ সমন্বয়! এইবোৰ চিন্তা কৰি ভায়োলীনাই কেতিয়া ঘৰ পালে গমকে নাপালে ভায়োলীনা ঘৰলৈ আহি মাথো এটা চিন্তা অভিনয় কেৱল অভিনয়হে! কিন্তু? সেই অভিনয়ৰ মাজতেই ভায়োলীনাৰ নিচিন হেজাৰ হেজাৰ মনত প্ৰশ্ন- কি অদ্ভুত প্ৰাণৰ সমন্বয়? কি অদ্ভুত প্ৰকাশ?

ভায়োলীনাই প্ৰথম নিলাঙ্কৰ অভিনয় চাই তাইৰ নিজৰ অভিনয়ক জুখিছিল। তাই সেই অভিনয়ৰ মাজত বিচাৰিছিল তাইৰ মনৰ সতে সেই অভিনয়ৰ মিল আছে নে নাই? নিজৰ লুপ্তপ্ৰায় প্ৰতিভা তাত আছে নে নাই? ভায়োলীনা মুগ্ধ হৈ গৈছিল অভিনয়ত। তাইৰ মনত এটা প্ৰশ্নই জুমুৰি মাৰি ধৰিছিল! নিলাঙ্কক কি বুলি মাতিম? কি সুধিম? পিছত ভায়োলীনাৰ মনে ভাবিছিল যে, অভিনেতা সকলৰ প্ৰেৰণাৰ মূল প্ৰতিভা। গতিকে প্ৰেৰণাৰ দ্বাৰা কিজানিবা নিলাঙ্কৰ মন চুবয়ে পাৰো অন্য হাতে তাই জানিছিল প্ৰতিভাক স্বাগত জনোৱাতো প্ৰীতিৰ প্ৰকাশ।

ভায়োলীনাই ভালদৰে জানিছিল যে, অভিনেতাৰ অভিনয়ত মুগ্ধ হৈ অভিনেতাক ভাল পাই পেলোৱাতো মহা ভুল। কিন্তু তাই ভাবিব পৰা নাছিল জানিও কিয় তাই মহা ভুল কৰিব ওলাইছে।

ভয়োলীনাৰ মনত নিলাঙ্কক ভাল পাই পেলাবলৈ যি আলোড়ন নিলাঙ্কই জানো বুজি পাইছে?

নিলাঙ্কয়ো বুজিছিল ভায়োলীনাই চিঠিৰে বাৰে বাৰে অভিনয় প্ৰদৰ্শনীৰ সুন্দৰ প্ৰতিভাৰ কথা আওৰোৱাৰ অৰ্থ কত? মনে মনে নিলাঙ্কৰ মনেও ভায়োলীনাৰ অভিনয়ক স্বাগতম নজনোৱাকৈ থকা নাছিল কিন্তু বাস্তৱ জীৱনত দুয়ো দুয়োৰে প্ৰতিভাক স্বাগতম জনোৱাৰ সুবিধাকণ মিলাব পৰা নাই। শেষত সেই সুবিধাকণ এদিন আপোনা আপুনিয়ে হ'ল ভায়োলীনাৰ আত্মসমৰ্পন কৰিলে।





ভায়োলীনা ধন্য হ'ল। এতিয়া দুয়ো এক হোৱাৰে কথা। দুয়োজনে স্থায়ী ভাবে একত্ৰ নহলে সিহঁতৰ ৰঙীণ স্বপ্ন সাৰ্থক হব কেনেকৈ।

ভায়োলীনাৰ মাক জানো মান্তি হব? আগৰ আওপুৰণি নিয়মত বান্ধি ৰখা মনে জানো এই মিলনক মানি লব? সহজ ভাৱে লব? কিন্তু? নিলাঙ্কৰ ঘৰৰ পৰা ভায়োলীনা নিলাঙ্কৰ জীৱনৰ প্ৰেৰণা হোৱাত বাধা নাই।

কিন্তু? উভয় দিশৰ পৰাই মিলনত আশীৰ্বাদ বাঞ্চনীয়।

ভায়োলীনাৰ মাকে ভায়োলীনা নোহোৱা সুযোগত নিলাঙ্কৰ মনৰ পৰা ভায়োলীনাৰ মাক দূৰলৈ লৈ আহি অভিনয়ক অভিনয় কৰি ৰখাৰ চক্ৰান্ত কৰিলে বাস্তৱক তাত অকনো স্থান নিদিলে।

ভায়োলীনা ঘৰলৈ আহি নৌ পাওঁতেই সকলো কাম সমাপ্ত হোৱাত ভায়োলীনাই কেৱল চকুলো টুকিলে। মাকক মুখ ফুটাই দোষাৰোপ কৰিবলৈ তাই সাহস কৰিব নোৱাৰি ভায়োলীনাই কেৱল নিজকে বাৰে বাৰে প্ৰশ্ন কৰিছিল মাক হৈ কিয় নিজৰ সন্তানৰ মনৰ কথা বুজি নাপালে?

সময় নিষ্ঠুৰ, এই নিষ্ঠুৰতাৰ সুযোগতে ভায়োলীনাই নিষ্ঠুৰ কামকে কৰি পেলালে কিন্তু তাৰ আগতে নিলাঙ্কলৈ চিঠিখন দি পঠাবলৈ নাপাহৰিলে।

"নিলাঙ্ক,

পৰিস্থিতি দাস হৈ মই নিষ্ঠুৰ কামকে কৰিলো। আত্মহত্যাৰ বাদে অন্য কোনো পথ ভগবানে মোলৈ নাৰাখিলে। সেয়ে তুমি মোক ভুল নুবুজিবা। তুমি অভিনয়ক জীয়াই ৰাখা। তাৰ মাজতে মই জীয়াই থাকিম। আৰু তোমাৰ অভিনয়তে মোৰ মৰম ৰব।

ইতি

তোমাৰ ভায়োলীনা।

নিলাঙ্কই ভায়োলীনাৰ চিঠিখন পঢ়াৰ পিছত মৌন হোৱাৰ বাদে অন্য উপায় বিচাৰি পোৱা নাছিল।

ভায়োলীনা! আত্মহত্যা! এয়া এক নিষ্ঠুৰ সত্য বুলি ভবাৰ বাদে অন্য উপায় নিলাঙ্কৰ নাছিল। নিলাঙ্কৰ দুচকুত ভাঁহি উঠিছিল কেইদিন মান আগতে কোৱা ভায়োলীনাৰ মিঠা কল্পনা, মিঠা মিঠা হাঁহিবোৰ। তাতকৈ ভালদৰে মনত আছে নিলাঙ্কৰ প্ৰথম চিনাকীত ভায়োলীনাই লাজতে ৰঙা পৰি গৈছিল। প্ৰত্যেকখন চিঠিৰ ভাষায়ে যেন নিলাঙ্কৰ মনত কিবা এক বিষ অনুভৱ কৰিছে। তাৰ মানে সকলো অভিনয় নেকি? অভিনয়ৰ মাজতে পালো ভায়োলীনাক আৰু অভিনয়ৰ মাজেৰে হেৰালো। তাৰ মানে মোৰ গোটেই জীৱন অভিনয়তে শেষ হব নেকি?

ভায়োলীনাক জীয়াই ৰাখিম। মই অভিনয় কৰিম- ভায়োলীনাক মই জীয়াই ৰাখিম "যদি অভিনয়ত মৰম ৰয়"।

□□


খ্যাতিয়ে সদায় নিঃসঙ্গতা কঢ়িয়াই আনে। কৃতকাৰ্যতা উত্তৰ মেৰুৰ দৰে নিৰ্জন আৰু শীতল।
- ভিকি বম

# তোমাৰ শইচ শিশু

প্ৰসন্ন কুমাৰ নাথ
প্ৰবক্তা, অসমীয়া বিভা

"He seems so near and yet so far"
-A.Tennyson (In Memoriam)

আকৌ এবাৰ মূৰ দোঁৱাই তোমাৰ
আমোলন স্মৃতি সুৱৰিছোঁ, হে মোৰ
আজন্ম সহচৰ।
ক্ষণিকৰ বাবে হলেও তুমি
আলফুলকৈ তুলি ধৰিছিলা
সুৱাগমণি শব্দ সংঘ।
মৌনতায়ো যে প্ৰেমিকৰ দৰে কথা পাতে
জোনাক আৰু কহুৱাৰ সতে!
যিদৰে মৌনভাৱেই তোমাৰ অভ্যন্তৰৰ বতৰা মোলৈ
বিষাদ মধুৰতাৰে কঢ়িয়াই ঋতুৰ সতে ঋতুয়ে ঋতুয়ে
সহজ কথাত -
তোমাৰ পৰা মোলৈ বহু ক্ৰোশ বাট
বিষাদৰ বুকুত মৌনতাৰ ভাষাৰে
তথাপি আমি সাজো
ইকৰা বিৰিনাৰ এখন সাঁকো।
স্বপ্নীল মৌনতাত
পৰস্পৰৰ স্পৰ্শত আমি উচুপি উঠো
তোমাৰ পৰা মোলৈ
সহস্ৰ যোজন বাট দূৰ অথচ নিচেই ওচৰ।
মোৰ বুকুত কোনো দিনেই মাৰ যাব নোখোজা
এটি ঢৌৰ কঁপনি,
জীৱন নদীৰ দুয়ো কূলত তাৰ খলকনি।
নিৰ্জন নিশা এজাৰ নিজাৰ পৰোঁতে
তোমাৰ সতে আকৌ মুখামুখি হওঁ ;
চল্ চল্ চকু যুৰিৰে তুমি মোক নিচুকোৱা
যেন মই তোমাৰ শইচ শিশু।







# বেদনা মনৰ

এম মিৰ্জাজুন হক
স্নাতক দ্বিতীয় বাৰ্ষিক

সাহস নাই মোৰ
কোমল হৃদয়ত
সেয়ে মই পৰাজিত
জীৱন যুদ্ধত।

খোজে প্ৰতি বেদনাৰ
প্ৰচণ্ড আঘাত
নাই বল দেহাত
মুখতো নাই মাত।

মুখামুখি স্বপ্ন দেখো
পুৱতি নিশা
প্ৰেমৰ পুলকো নাই
আৰু জ্যোতি শিখা।

চকুৰ দৃষ্টিও নহয়
ভেজাল বিহীন
ঐশ্বৰিক শক্তিৰো দেখো
নাই একো চিন।

মনত নবয় ডাবৰ
শীতল নিজৰা
মহাকাশত অনুদয়
জিক মিক তৰা।

ডেকা শক্তিত কিয় বাৰু
এই বজ্ৰাঘাত!
কিহৰ মায়াত কিয় এনে
ঘাত প্ৰতিঘাত?

কালৰ কালৰূপ দেখিওঁ
বুজা কিয় নাই
সময়ৰ আলোক পটত
মই দেখা নাই।

ইবোৰৰ মুকলি সুৰ
জীৱন বীণাতে
বজাই শুনাইছো তোমাক
আকাৰে ইঙ্গিতে।।

# অনুভূতি

*সদানন্দ নাথ*
*স্নাতক তৃতীয় বাৰ্ষিক*



আনৰ শোকত জাগ্ৰত নহয়
মোৰ সহানুভূতি,
স্পন্দিত নহয় হৃদয়
তীখাৰে গঢ়া মোৰ এই হৃদয়।
ক্ৰন্দনত নোলাই মোৰ চকুপানী
নুফুটে ক্ৰন্দনৰ বেথা,
হাঁহিত নুঠে মাদকতা
উঠে মাথো বিভিষিকাৰ জুই।
মনত পণ কৰি লৈছো
হৃদয়ৰ বেথা গুপুতে ৰাখিছো
প্ৰকাশ কৰাৰ নিমিত্তে খাওঁ সদায় উজুটি
সেয়েহে হেংডাঙ মোৰ সহায়ৰ লাখুটি।
কতবাৰ যত্ন কৰিওঁ হাঁহিব নোৱাৰিলো
দুপাৰি দাতৰ মাজেৰে ওলাই আহে বিভীষিকা
তাল মাৰি ধৰিলে মোৰ কাণ দুখনি
নাপালো তাৰ উমান,
চকুকেইটা জোৰকৈ মুজি মগজুৰ কোষবোৰক কলো
চিন্তা কৰিবলৈ।
তীখাৰে বনোৱা এইখন হৃদয়
কাৰবা আশ্ৰয়ৰ থলী।





# সন্ত্ৰাস

**দ্বীজেন্দ্ৰ তালুকদাৰ**
মুৰব্বী অধ্যাপক, অৰ্থনীতি বিজ্ঞান

পুণ্যভূমি প্ৰাগজ্যোতিষপুৰ,
ইয়াতেই হেনো
দেৱ-দেৱীয়ে কামনা কৰিছিল মৃত্যুৰ
বধ্যভূমিলৈ ৰূপান্তৰিত আজি তাহানি প্ৰাগজ্যোতিষপুৰ।
অপচয় হ'ল বীৰ লাচিতৰ দৰে
ৰক্ত ৰঙা সাহসৰ
অপচয় হ'ল ৰক্তিম সূৰ্য্যৰ দৰে দীপ্ত প্ৰতিভাৰ।
নেতৃত্বৰ সংকটত তুইঁজুইৰ দৰে
উমি উমি জ্বলিছে বিশ্বাস আৰু সংহতিৰ ভঁৰাল।
ৰাতিটোৰ ভিতৰতে মানুহবোৰ
হৈ পৰি গৃহহীন কঙাল
বুলেটৰ আঘাত আৰু প্ৰতিঘাতত
নিত্যে জ্বলিছে জুই চিতাত
সূৰ্য্যৰ ৰশ্মিয়ে কঢ়িয়াই আনে নিতৌ
বেদনাদায়ক অপ্ৰত্যাশিত দুঃসংবাদ।
বন্দুকৰ শব্দ নহয় বন্দী নিয়মৰ
যেনেকৈ নদীয়ে ভাঙে
কৃষকৰ ঘৰ।

# অতন্দ্ৰ প্ৰহৰী

**কল্পনা বৰুৱা**
স্নাতক তৃতীয় বাৰ্ষিক

গভীৰ নিদ্ৰাত মগ্ন পাৰ্থিৱ দেহ
অতৃপ্ত প্ৰজ্ঞাই সাৰ পাই উঠে
আচম্বিতে-
হিয়াত যৌৱনৰ উৰ্মিমালা।
শাশ্বত সত্বাক উপলব্ধি হয়
বাৰে বাৰে
তথাপিও,
কৰ্ণক বিছাৰে কিয়
জীৱনৰ সেউজ বনত!!
জীৱন বীণত ঝংকাৰিত হয়
অকৃত্ৰিম প্ৰেম গীতৰ
অপূৰ্ব মূৰ্চনা।
তাৰেইবা মূল্য কিমান?
এলপক মাথো পুতৌৰ চাৱনি
তন্দ্ৰা ভাঙে কোনোবা চিত্ৰকৰৰ
নিষ্পাপ চিত্ৰ দেখি,
প্ৰেমপ্ৰজ্ঞা সমুদ্ৰৰ
তেৱেঁই যেন অতন্দ্ৰ প্ৰহৰী।।

# শৰতৰ বতৰত

*অনিল কুমাৰ বনিয়া*
*স্নাতক তৃতীয় বাৰ্ষিক*

*শৰতৰ*
*সন্ধিয়া*
*শেৱালি*
*বুটলি*
*স্নিগ্ধ*
*সুবাসত*
*আনন্দ*
*লভিছো*
*পূৰ্ণিমাৰ*
*জোনোৱালী*
*পোহৰত,*
*নিজকে*
*বিলাই*
*দিছো*
*শাৰদীয়*
*বতৰত।*



# এটা সপোন

*দ্বিজেন কুমাৰ নাথ*
*স্নাতক দ্বিতীয় বাৰ্ষিক*

হেৰ, কলঙ্ক সপোন, কিয় আহিলা,
এই অমানিশা ধূসৰ এন্ধাৰত,
ভবাটো নাছিলো কাহানিও
অভিশপ্ত সময়ত তই যে আহিবি!
তোকেই প্ৰশ্ন কৰিছো
কোনে হৰিলে মোৰ হিয়াৰ থাপনাৰ বিগ্ৰহ;
কোনে কৰিলে থানবান
মোৰ আশাৰ সংসাৰখন ??
তয়ো ঠগ, প্ৰৱঞ্চক, খুনী, অপৰাধী।
তোকেই জগৰীয়া কৰিম
তোকেই অভিশাপ দিম
কালৰাত্ৰিত মোক বিপত্নীক কৰা বাবে!
সীমাহীন হাতেৰে তই
মোৰ ডিঙিয়ে বুকুৰে কি খেপিয়াই ফুৰিছ
তেনেদৰে মোৰ ডিঙিত নাখামচিবি
স্পন্দন যদি বন্ধ হয়
জাজী নৈয়ে ফাট মেলিব
আকাশখন সেই ফাটত সোমাই পৰিব!
তই মোৰ মৃত্যুক আহ্বান কৰিছিলি
তোৰ প্ৰেতাত্মাৰ সপোন পূৰ্ণ নহ'ল।
কাৰণ; তই অহাৰ ঠিক পিছতে আহিছিল
মোৰ জীৱনলৈ
প্ৰত্যুষৰ ৰক্তিম আভা।

# এটি লিমাৰিক

*ৰাতুল কুমাৰ ডেকা*
*স্নাতক দ্বিতীয় বাৰ্ষিক*

অকনি জাহাজখনি দেখা পায় ৰিনি ৰিনি
জল মাজে কৰে বিচৰণ,
খেলিছে ৰঙৰ খেলা
ধেৎ! সন্ধিয়া বেলা
অহসায় পথিকক কৰে জাগৰণ।

(নৱাগত বিশেষ সংখ্যা প্ৰচীৰ প্ৰত্ৰিকাত প্ৰকাশিত)

# ৰাতি অকলশৰে তুমি

*প্ৰতুল কুমাৰ চহৰী*
*স্নাতক তৃতীয় বাৰ্ষি*

ৰাতিটোক ঠোঁটত লৈ
তই চিনি পোৱানে
চকুত টোপনি কঢ়িয়াই লৈ
নিৰুদ্দেশ হোৱা বাৰুদী ডেকাবোৰক
মোৰ দেশ
মোৰ মাটি
চিনি পাৱনে তই মোৰ
এলাগী পৃথিৱীৰ ছবি?
অনুভৱ কৰনে কৰনে অনুভৱ
যন্ত্ৰনাত চট্‌ফট্‌ এবুকু দুখ!
মোৰ দেশ
মোৰ মাটি
কাঢ়ি খাৱনে তই মোৰ
দেশৰ প্ৰজাৰ মুখৰ ভাত
সেলেঙী বোৱা মুখৰ মাত?
নে তয়েই কঢ়িয়াই লৈ ফুৰ
চেতনাটোক কাটি কৰি থৈ
এটা বিভৎস ৰাতিৰ শীলত অনুভৱ!!

# তৃষ্ণা

*সুশীল কুমাৰ নাথ*
স্নাতক দ্বিতীয় বাৰ্ষিক

জুই সনা মৰম বুকুত দিশহাৰা পথিক মই।
খন্তেক জিৰাবলৈ বহিছো মাথোন...
ক'তোৱেই ছাঁ নাই। নিজৰ ছাঁটোত নো
জিৰাও কেনেকৈ?
আকাশো নিলিম। ক'তো এচপৰা ডাৱৰ নাই।
ৰ'দেপোৰা কেঁচা তেজ মঙহৰ দেহটোও
অন্তৰ্হীন তপত ঘামৰ প্ৰবাহ ...
ইয়াত চাগে ভগৱান নাই!
বিশ্বপিতাৰ নিষ্ঠুৰ হাতৰ সৃষ্টি
হয়তোবা ইও এক নৰক (?)
উভতি চাওঁ। এৰি অহা খোজৰ
গাতবোৰত দেখোঁ পানীৰ ডোঙা (?)
ছলনা। ..., বুজিছো তোমাৰ সেই মায়া
জানিছো মাত্ৰ মোৰ ইয়াতেই শেষ হ'ব!
সেয়ে যাবৰ বেলা সুৰৰ উকা বুকুত
লিখি থলো তোমাৰেই নাম
তৃষ্ণা
মৃগতৃষ্ণা

(নৱাগত বিশেষ সংখ্যা প্ৰাচীৰ পত্ৰিকাত প্ৰকাশিত)

# অতীত স্মৃতি

*দিপালী বৰদলৈ*
*স্নাতক দ্বিতীয় বাৰ্ষিক*

মোৰ হৃদয়বীণত বাজি উঠিল
এটি পুৰণি দিনৰ সুৰ
ভাবিছিলো এটি নতুন সুৰৰ
হব আৱিৰ্ভাৱ।
কিন্তু! নাই! নাই
আজিও কৰুণ শিতৰ ওঠত হাঁহি নাই
আজিও বিধবাৰ চকুত চকুলো।
মাথো একেই সুৰ।
এক বিংশ শতাব্দীৰ গ্লানি কঢ়িয়াই
সেই সুৰ বাজি আছে।
হয়তু আৰু একছৰ পাচত
যৱনিকা পৰিব সেই সুৰৰ
কিন্তু ইতিহাসৰ জৰী চিঙি
নাহিব নেকি এটি নতুন সুৰ
আনিবই লাগিব উদ্দিপ্ত শিখা
আজি আঘোনৰ পথাৰত হাঁহি নাই
চিৰকাল ফটা মাটিত পৰি থকা
সেই দলিচাবোৰ
অশ্ৰু টুকি আৰ্তস্বৰে কলে
সিহঁতৰ অতীত স্মৃতি।

(মহাবিদ্যালয় সপ্তাহ উপলক্ষে প্ৰকাশ কৰা

# হৃদয়ৰ বেদনা

*ৰাজকমল ভট্টাচা*
*স্নাতক তৃতীয় বা*

আজি স্তব্ধ হ'ল মহানতা
অস্ত গ'ল সত্যতা,
অন্তৰ ভেদি গ'ল বিষাদ ৰাগিনী
যুগমীয়া হৈ ৰ'ল স্মৃতি
মাথো কৰি গ'লা প্ৰতাৰণা।
বুজি নেপালো হৃদয়ৰ কথা।
পাহৰিলা কৃতজ্ঞতা
মাথো তুমি কেতিয়াবা শুনিবা
হৃদয়ৰ হিয়া ভঙা বেদনা।

(নৱাগত সংখ্যা প্ৰাচীৰ প্ৰত্ৰিকাত প্ৰকাশিত)



সাংবাদিক পৰাগ দাসৰ স্মৃতিত

# শ্বহীদ প্ৰণামো তোমাক

*নীলাক্ষী বৰদলৈ*
*স্নাতক তৃতীয় বাৰ্ষিক*

গৰজি উঠিল পিশাচৰ গুলীৰ শব্দ,
নিৰ্ভীক স্পষ্টবাদী তৰুণৰ বুকুত।
যাৰ বলিষ্ঠ লিখনীয়ে পিশাচ
সকলক বিচলিত কৰিলে,
সেয়ে শেষ অস্ত্ৰপাত
বহুবালে তোমাৰ বুকুত।
হে, শ্বহীদ প্ৰণাম কৰিছো,
তোমাক অতি শ্ৰদ্ধাৰে।
তুমি যেন মৰিও অমৰ,
তোমাৰ দৰে বিপ্লৱী সত্বাৰ
মৰণ কোনোদিন নহয়,
পিশাচহঁতে এজন পৰাগক।
হত্যা কৰিলে সঁচা,
এজনৰ হত্যাই যে হাজাৰজন
পৰাগক জন্ম দিলে,
হে, জাতীয় শ্বহীদ।
প্ৰণাম কৰিছো তোমাক,
অশ্ৰুসিক্ত নয়নেৰে,
হৃদয়ৰ সমস্ত ভালপোৱাৰে।।



## LOOKING AT THE FULL MOON

*Mrinal Kalit*
*T.D.C.3rd Yea*



Looking at the full moon,
It seems in my mind,
As if she were my life's part
Once upon a time.

Today she is not near me
As if she had gone too far
And I can't meet her in any way.

Now I dream,
The memories of her
Of events which happened a few years ago;

And I want to bring back
The memory to my life
But is it possible
For a man like me?





## DECEIT

*Ranjit Deka*
*T.D.C. 1st Year*

*With a light of hope through dark*
*That day she came.*
*Cleaned my dirt of mind*
*And placed me in her heart.*
*I woke everyday*
*To welcome her heart*
*And her new speaking*
*With voices smart.*
*Alas! breaking my hope*
*She welcomed her new street*
*Leaving me alone*
*And presented acting of love.*

## LET THEM SLEEP

*Kailash Saikia*
*T.D.C. 1st Ye*

O, wakeful benevolent countryman
Why are you waking still now?
Amidst the realms of sleeps?
Why are you loitering about.
Amidst the encircling gloom?
Amidst the dust of world
In your sleepless night?
Why are you wasting your times?
Why are you searching about?
O, if is only for realms of peaces
Try try again, again and again
But I fear, I am in doubt
Is it possible in this society
Full of danger, full of the dead?
O, benevolent wakeful men!
Be care,do not persuade sleepers
They are very cruel and clever
What cruel men they are?
They never understand you
'Love' and 'Valuable' works
Amidst the 'encircling gloom'
Amidst the 'realms of sleeps'
Please let them perish, let them sleep
O, god! save the wakeful men
From the mouth of hell and death.



## A SHADOW OF SORROW

*Mridul Kr. Saikia*
*T.D.C. 3rd Year (Eng Deptt.)*

Affliction! Affliction! Affliction!
How gloomy she is!
She only beholds everywhere the shadow of sorrow
What has befallen all of a Sudden?
How unfortunate she is!
Didn't she ever dream of a quite happy life?

Didn't she often conceive of
Being an ideal goody of a god like husband?
But alas! She is out and out unlucky
Now she has become silent,
Neither she speaks, nor attempts to do anything
But thinks as if she were going to solve
A climan of an unfinished play

A little drop of her tears makes her,
Aggrieved broken heart cool.
All her hopes as well as aspirations;
Have been washed away by misfortune,
Pushing her into great danger,
Making her helpless.
Now, although she is an unmarried woman
She is like a widow
Widow for good!!!

# SILOER JUBILEE

**Prof. Debabrata Bordol**
*Head, English Dep*

People call him Kanti Chowkider, but his full name is Kanti Ram Bayan. A Nijanpur Kanti Chowkidar is a very popular figure. Before joining as Chowkid at 'Nijanpur Parbati High School', Kanti Ram Bayan had earned his livelihood a a day-labourer, of course, very irregularly. He was also the drum-beater of t local band party. In both the occupations he failed to make both ends meet. A last he started his new job as Chowkidar at Nijanpur Parbati High School from t very moment of its establishment.

Nijanpur is seven kilometers away from Nalbari Town. The High School supposed to be the main gate through which one can enter this village. In front the school and in either side of the road there are a few shops and stalls. Twen five years ago this school area was a bare field. With the establishment of t school many changes have taken place in the locality. The tea stall of Bu Mahajan under a thatched roof is still there. The teachers and the students used eat hot 'Gaza' and take tea at this stall. Ratikanta's Gumti shop was also the Betel nuts, muriladdoo, Sulekha ink and few cosmetic items were sold in his sh Many of the village ladies took 'Afgan Snow' from this shop. The village you purchased No 10 Cigarettes from this centre. Jirumiyan's tailoring was also marked feature of this place. Today, shops and stalls are growing in numb every year, yet they are not so many. It is like a minimarket around the hi school. Cassette songs are put on in high volume at Mantu Das's Grocer's sh Today Nijanpur is not what it was twety five years back.

In those days boys and girls of Nijanpur went to Nalbari to read there high school. They had to face lots of troubles during the summer days. T meritorious students did their schooling at Nalbari and passed H.S.L.C. Exami tion from there. Only the common people had to remain in their native pla Bhebla Boro was an ideal farmer of Nijanpur. He had great admiration for mod education. His only daughter Parbati Daimari pursued high school education the high school of Nalbari. One day, while she was coming back from school





alone on a rainy day, she became a victim of thunder stroke on the road and had to die on the spot. The death of Parbati Daimari gave birth to a new high school at Nijanpur. Bhebla Boro revealed his willingness for donating a plot of ten bighas if the local people came forward for setting up a high school in the village. The people welcomed his decision and started a high school with the name 'Nijanpur Parbati High School'. Thus the dream of Bhebla Boro came to reality. Today Bhebla Boro is lying in the dust. The young people of today will not properly comphrehend the prudence and farsight of that great man, but he was almost like a god among the elderly people of this locality.

Kanti Chowkidar is going to retire soon, some six or seven months left. He is now an old man with a buxom heart. It is almost eighteen years that I left this school. We found Kantikai from a very close range. He was very sincere in his duty, a devoted worker. He usually arrives at school before nine in the morning, cleans and clears the office rooms, class rooms etc. Fallen leaves and rags of torn papers are brushed away. No creeper or low bush is allowed to grow out inside the school campus even in the summer days. In our days the floors of the houses were not pucca as we have seen now. Kantikai was so careful that he could learn immediately any sprouting of the grass roots, and the garden of the school. It was like a mini Botanical Garden. Flowers of different seasons elevated the outward view of the campus with their full blooming. Every morning he arrayed some new and fresh flowers in the flower vase on the Headmaster's table. Two large portraits, one of goddess Saraswati and the other of Parbati Daimary were there in the teacher's common room. Every morning both the portraits were adorned with new flowers by him. There were two Nahar trees at the gate of the school which were growing luxuriantly at the motherly affection of Kantikai. The front side of the campus was very attractive with the Date trees planted in a straight row. Kantikai planted more then ten coconut trees on the banks of the backside pond. They started to give fruits. Every now and then we heard Kantikai sing a song-

This is my temple, this my religion
I live here in peace to lighten my function.

Our respected Headmaster Shrijut Bharat Ch. Sarma used to come to school on a bicycle. It was a distance of about six or seven kilometers. As soon as kantikai saw the Headmaster getting off at the gate, he hurriedly took the bicycle from his hand and placed it in its proper place. If he could not do that he considered his duty to be halfdone. He was very much pleased to supply the teachers with water so that they might wash up themselves. All these acts were the very

source of his eternal pleasure. Maybe it was the pleasure of honest performance his duties. Thus Kantikai was an immanent spirit of this institution. He wa friend to the students, an bedient support to the teachers and a careful nurse to school campus. He participated in music competition, debatings and other ex curricular activities, not to win laurel, but to extend his fellow feelings to each every member of this institution. This is how Kanti Ram Bayan was the pulsat of 'Nijanpur Parbati High School'.

One day while he was picking up bits of papers from the class room, I ask him very mildly-

'Kantikai, it seems you love this school more than your own life, isn't it?'

'Yes, Deva Bopa, from the core of my heart.'

'But why?'

'Because this institution has also a soul like that of yours which all the tin clings to me.'

'Very strange! what soul do you mean?'

'No strange at all, Deva Bopa. I always feel the presence of our dear sis Parbati Daimari in every corner of the campus. So, I try to accompany her, try please her and also try to honour her by keeping the instituition neat and cle evergreen. Should I forget our goddess Parbati- the only daughter of our Bhe Kakaideo?'

I was stunned at his words. How deep his feelings are! My head autom cally bowed down before his personality. He appeared too high beside me.

The Silver Jubilee of this school was over yesterday. We were very ha that the school turned into a meeting ground for all the ex and fresh students teachers. I passed H.S.L.C. examination from this school. Now I am working a teacher at a College far off from Nijanpur. So, I was not actively involved in various affairs of the Jubilee. The editor of the Silver Jubilee Souvenir sent m letter with the request that I should write something for the souvenir. The le took me back to my past school days. The pictures of Kantikai were passing in mind one after another. So, I wrote a memoir centering round Kantikai, his de cation, devotion and largeheartedness though a man of low position. The name my memoir was 'The Hand that cleans and creates'.

On the last day of the three day Jubilee programmes, the souvenir released by the retired Headmaster Shri Bharat Ch. Sarma. Outwardly it wa very nice looking Souvenir well decorated and embellished with different pho and articles. I turned over the pages and looked for my article. No, it was





published. Even nobody wrote anything about the long dedication of Kantikai, nor was his photo printed. A deep sigh with anguish passed through my heart. I looked around and saw that Kantikai with his sweet smile on lips, distributing betel nuts among the people. I simply thought Kantikai dedicated service cannot be higher than a huge amount donated to the institution by a political figure. Cordiality is banished from the material world!

I visualised a very gloom picture of this institution. I saw that the nahar trees at gate were sheding tears, the date trees were numbering days, the coconut trees of the Campus were giving poisoned fruits, the walls of the school buildings were catching up the sores of the lepers, and a germ of incurable disease was infecting the whole institution. Many of my old friends talked to themselves 'nothing has been written about our Kantikai'. They, too, were much depressed at the negligence shown to Kanti Ram Bayan. The high sounding speech of the Political leader could not touch my mind. The spirit of enjoying the occasion was almost lost. I came out from the campus. I passed a sleepless night. A single but dominant thought was haunting my mind all the night- 'Education has taught us to forget the sacred service of the small people; this is how we are going to be educated'.

I left my native place Nijanpur at 6 am today. As I arrived at the school campus I looked up at the gate of the School. The words written on it were 'Nijanpur Parbati High School'. The term 'Parbati' touched my heart. May be, people will forget the significance of the term 'Parbati', and the sacrifice of Bhebla Boro, the true lover of learning. All of a sudden Kantikai came to my notice. He was clearing the school varandah with a broom. This is his service, this is his duty. I called at him-

'Good morning Kantikai, you are again at work in this early hour?' What is the value of such service Kantikai? None has written anything about you in the souvenir. Though I worte something, It was not published. Kantikai, people are not what they used to be in our days. I am not at ease Kantikai, so I am leaving now-'

'Deva Bopa', with the same familiar smile he replied, 'don't get offended with other people. I am simply a devotee of this temple. So I need no recognition of my service in the Souvenir. I always feel the existence of Parbati Gosani (Goddess) here. I always feel the spirit of Bhebla Kakaideo here. If some one makes it dirty or does any harm to this institution. I cannot tolerate it. That is why I have been at work quite so early'.

'But it is you who keep the institution as a temple. Many of our old friends

are indignant at this behaviour.' I said.

'No, no, no, Deva Bopa. I never seek recognition in the page of a Souven The noblest recognition for me is the hearty address 'Kantikai' from the mouths the students. I am happy, because you have not forgotten me, Deva Bopa. I w the happiest man yesterday. I got an occasion to hear the sweet voices of brothers 'Kantikai, Kantikai, Kantikai.... all around'.

I was looking at him with full admiration.

'Deva Bopa', he again started, 'these endearing sounds from your mou will make every moment of my past, present and future life as bright as silv whose dazzling never fades away. If you bear my picture in your mind, if y always call me Kantikai this will be my recognition. Deva Bopa, would y assure me that I will never be deprived of your lovely address Kantikai?' H voice was choking, tears rolled down his cheeks, may be out of joy, may be out sadness. I did mark the youthful spirit of twenty five years back in his old figure

As I wanted to leave him, he said-

'Deva Bopa, pleasewait for a while. I know that your kaina (wife) is ve fond of Tagar flower, I am giving her one'. Saying so, he picked up some Tag folwers for my wife. He also gathered some Nahar flowers for my three year daughter. Quite endearingly he put them into my palms.

I took them into my palms, the flowers seemed to be tinged with the pur of Kantikai's heart and the divinity of Bhebla Boro's sacrifice. I parted fr kantikai with a heavy soul. Now I am travelling by a bus to my college. Inside bus, only one idea is coming to my mind.

'May the hearts of my daughter and all other children of the new generat be as pure and divine as the flowers given me by Kantikai!'





# INNOOATION IN EDUCATION : THE GATEWAY TOWARDS MEETING THE CHALLENGES OF THE 21ST CENTRUY :

*Sultana Rezia*
*Lect, Deptt. of Edu.*

Accoding to dictionary meaning, the word innovation means the introduction of novelties, the alternation of what is established, a novel practice and a change in established methods. In the field of education innovation means to create something new which markedly deviates from traditional practics which have been followed since a long time back to impart education at different levels.

The process of education reform in India began with the January 5, 1985 broadcast of the then Prime Minister Rajiv Gandhi. He declared that a new education policy would be formulated that would equip the country both Scientifically and economically to enter the 21st Century. Immediately thereafter a document, 'Challange of education, 1985: A policy perspective' was published in August 1985 which became the basis of the National policy on Education 1986.

In order to meet the challanges of the 21st Century and to ensure peace on earth the leading statesmen of the world decided to establish 'world body' the United Nations Organisations to work for the promotion of global development and world peace. The UNESCO through its various organs interact with the educational systems of the member Countries and helps them to incorporate in their programmes such global issues as Human Rights, children's welfare programmes, population problem, Environmental protection and the like, besides global unity and world peace. The most significant of all developments witnessed by man in the present century has been the revolutionary innovations taking place in the field of Science and Technology in diferent parts of the world.

Now a lot of emphasis has been laid on great relevance of curriculum planning and renewal of the needs of society and world of work. The child who is born today will be an active citizen and beneficiary of the 21st century. Education, therefore has to equip itself in

such a way asto produce citizens who can meet the challenges of the coming century. Education in this context has an important role to serve in accelerating the pace of a developing country. Education of the future should provide bridges between the past and the present, and between the present and the future. It must aim at providing new knowledge. Education of the future will look at developing complete man. It will cater to the developmental aims of change and problem solving. The aim of education in the 21st century should aim at making individuals- To be, to learn and to become- the three fold objectives for a total growth. Education in the 21 st Century must bevisualised in the context of these three questions. Education should provide individuals and groups with maximum awareness, knowledge and skills to enable them to manage their individual and collective lives. Facilities should be provided to participate and contribute to cultural and economic life of all classes and categories of Education. All cultures should have the freedom and opportunities to trans mit and enrich their heritage. The survival and progress needs of mankind should be in the forefront of the educational endeavour in the coming century.

For meeting the challenges of the 21st century we must welcome certain innovations in our educational system. Following are some of the assumptions of educational planning in 21st Century for a developing technological society.

1. The 21st Century will be knowledge based Education, must therefore aim at ennobling individuals to be problem solvers in order to meet the increasing complex issues such as over population, environmental pollution, energy crisis and urban decay. Education would be aiming at developing critical thinking skills than stressing acquisition of mere information. Basic skills and information recall wouldnot suffice. Decision making process have to be cultivated through educative process.

2. The 21st Century will see an increased information flow. It is predicted that the new century will be drowning with information with the technotonic revolutions. Scientific and technological knowledge now doubles every 20 months. Teaching in the 21st century must aim at how to process information, develop study skills, make decisions and communicate not merely cram information. Ability to search for information and to evaluate should be focus of learning and not the quantum of rote memorised knowledge.

3. The 21st Century will see rapid change and imperance. It took hundreds of years to change from agricultural society towards an industrial society, but now in 21st century it will take two decades to shift from an industrial society to an information society. Jobs will change dramatically every 5 to 10 years and workers will need inservice training. New fields will be opened up. No longer will individuals be able to go to school, nor will they be able to enter a job and expect to remain without re-training. Education in true





sense will be a life long process.

4. The 21st Century will see an increase of decentralisation of organisations, institution and systems. In other words they would be entirely new psychology of Education. Education must therefore develop flexibility, sharing expertise and collaborating tendency among individuals.

5. The 21st Century will be people oriented. Human beings are the greatest resource which need to be developed. There will be therefore greater stress on human resource development in education. Individuals merit of proficiencies to be recognised. There should be stress on professionalism. Because trained educators alone can provide the needed thrust for success.

6. Learning will be problem-centered and child or learner-centered in the 21st Century. Education should therefore be experience-based, problem-centered or process-oriented, technology-driven, experimental sharing, developmental, competency-based, computer-assisted, openended and must contribute to the professional development. Education will move towards achieving excellence through various processes ranging from rigid formal to open and distance learning.

Help Books :-

Development and Planning of Modern Education—
J.C. Aggarwal.

Education Technology—
A.R. Sharma.

Dimensions of Indian Education —
R.P. Sinha & Sachiprava

# ROLE OF EDUCATIONAL INSTITUTIONS IN GROWING MENTALLY HEALTHY CHILDREN

*Prof. Mohini Goswami*
*Head, Deppt of Edu.*

One of the most impartant aim of education is to help the children to grow mentally healthy. This means that education should provide full opportunities to the chldren to develop their own personalities and should help them to use and direct their energies to right ends and purposes. The ultimate aim of education is not always clearly ditermined but the immediate aim is psycho-physical health Education aims at aiding the child to attaim his normal growth and development. In the present time, the aim of education is to develop an ability in the pupil to lead a fruitful life in society. Our demands are inereasing day by day due to the advancement of science and technology; but it is not possible to meet at the demands which leads to mal-adjustment with the situation and environment. Mental health is a cendition which helps us to adjust with the changing society.

Health is a state of complete physical, mental and social will being of an individual and mental health is a condition which permits the maximum development, physical intellectual and emotional of the individuat in so far as this does not interfere with a similar development of other individuals. All the human beings are born with certain capacities and potentialities for growth and development and mental health implies that we have found opportunities for expression and development and realized all that is best in them. Every individual has some values and ideals of his own nd he wants to realize. Our mental health is a realization of our ideals and values in varying degress.

Mental health is most easily understood when it is compared with physical health. Physical health is recognised when all parts and organs of





the body are functioning well and in camplete harmony with one another and free from all physical disturbances. Similarly, one person is mentally healthy when his personality is functioning well, when all the powers and abilities, needs and urges find expression and function harmoniously with one another and when he is free from persistent emotional disturbances. Every body is born with richer and fulur and fuller and living in healthier and happier if all these needs and functions are expressed and fulfilled in a very harmonious and co-ordinated manner. The world Health organization defines health as "A stete of complete physical, mental and social well being, not merely the absence of disease or infermity." Health education is concerned with imparting knowledge of the people about the principles of Hygiene. Health education plays a very important role in edueating people for the presevation and development of the physical and mental health.

A mentally healthy person resonds to the needs and problems of life without strain, He can realize his dreams and ambitions accondingly. He renders help to others as readily as he accepts help from others. A mentally healthy person is well adjusted to his environment, to his friend and to himself. When a person is well adjusted it does not mean that he is free from worries and anxiey. Good adjustment means that he is able to serve his problems and difficulties.

The aim of mental hygiene is to maintain mental health and rebuilt the personality of the individual so that he may be able to adjust to his physical and social environment to the best advantage of himself and society. Educative process in the home, the school and the society is to be so improved that the individual is well adjusted to his physical and social environment and does not need any psychotheragy. We are living in a rapidly changing world. Material and social conditions due to the impact of science and technology are undergoing rapid and radical changes. All this is stressed in modern educational thought and practice is that the individual should be so educated that he should find his intellect and personatily quite adequate to meet the challenge of changing conditions in an ever changing world.

In progressive schools psychologist are appointed to give guidance to students with regard to their personal, educational and social problems,

Personal problems are related to deficiencies of working with class matis and teachers, of pocket money and domestic worries Educational problems arises out of difficulties with studies, examinations, choice of subjects or handicaps in expression. Social problems arises in connection with adjustment to friends in games and sports and extra curricalar activities. Often the school organisation is such that young people are neglected, for example when the number of studnets on the roll is too large and nobody cares for anybody or the school admisnistration is to autocratic and strict that young people have nothing to do but obey and earry out the authourity, or the school is run on very cauless lines without any method or system and the psychological needs of young people are neglecled. The school is not a place where young people enjoying learning, gaining knowledge and organising social and cultural programmes but a place when they have only to mark line with indifference and inefficient teachers.

For meintaining mental health of the children, psychologists have laid down certain programmes. The education institution should provide them with following facilities-

1. Play and games : Games and play bring about the proper development of the personality of the children. The child not only gets mental satisfacition with the play but also develops certain social qualities. In play children get opportunity for the expression of their emotions and so they keep themselves frce from various physical and mental defermities.

2. Social functions : social functions are also necessary for the balanced development of the children. community dinner, acting and such other activities not only give pleasure to the students, but also save them from developing inferiority or superiority complexes and such other deformities. More over voluntary labour, congenial environment, freedom and resposibility, self contrat and self confidence, education according to intelligence, proper care for physical health, co-operation of suitable curricular are essential for children to preseonce both physical and mental health.

Now a days too much home work is a great problem to the students as because it creats constant worries to them. More over it leads curtainment of their freedom which later on adversly effects their personality. Mantal health





or mental hygience is nothing but the preservation of intellectual emotional and physical health of individual. So, in educational institution proper opportunity should be given to the students to take part in play, reerational activities, social functions etc. Parents and teachers and other members of the society should co-operate the creating an atmosphere that may be conducive for mental health of the children. The parents and teachers should provide the students with ideal of self-confidence, self control etc. Useful habit should be developed in the children so that they may remain mentally healthy.


Refernce Books :

1. Abnormal psychology - H. R. Bhatia
2. Abnormal psychology- Page. J. D.
3. Health education and hygiene- B. C. Rai
4. Sikstve Mondvigyan- Jatin Baruah
5. Educational psychology- Dr. S. S. Mathur

## মহাবিদ্যালয় সপ্তাহ ঃ




পঞ্চমী ডেকা
শ্ৰেষ্ঠা খেলুৱৈ



সুশীল নাথ
শ্ৰেষ্ঠ নাট্যকাৰ আৰু পৰিচালক




প্ৰতুল চহৰীয়া
শ্ৰেষ্ঠ তাৰ্কিক



মহাবিদ্যালয় সপ্তাহ উপলক্ষে প্ৰাচীৰ প্ৰত্ৰিকা উন্মোচন কৰিছে প্ৰবক্তা প্ৰসন্ন কুমাৰ নাথে




মধু নাথ
শ্ৰেষ্ঠ অভিনেতা




শশীন্দ্ৰ শৰ্মা
শ্ৰেষ্ঠ সমাজ সেৱা প্ৰতিযোগী

# সম্পাদনা সমিতি ঃ



ড° ৰামচন্দ্ৰ ডেকা
তত্বাৱধায়ক




অধ্যাপক দেৱব্ৰত বৰদলৈ
সদস্য



অধ্যাপিকা হেমজ্যোতি ডেকা
সদস্যা




অধ্যাপক মুকুল চহৰীয়া
সদস্য




দিপেন বড়া
সম্পাদক



মঞ্জু মণি ডেকা
সদস্যা



ইয়াহাৰ আলি
সদস্য



দ্বীজেন নাথ
সদস্য




ৰবীমণি শৰ্মা
সদস্যা


# মহাবিদ্যালয় সপ্তাহ ঃ



কল্পনা বৰুৱা
শ্ৰেষ্ঠা সাহিত্য প্ৰতিযোগী



প্ৰতাপ ডেকা
শ্ৰেষ্ঠ সঙ্গীত প্ৰতিযোগী



মুকুট বড়া
শ্ৰেষ্ঠ কেৰম খেলুৱৈ

শ্ৰেষ্ঠ নাট্যদল



থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে ঃ অসীম নাথ, দ্বীজেন নাথ, মুকুল নাথ
বহি বাওঁফালৰ পৰা ক্ৰমে ঃ সুশীল নাথ, (নাট্যকাৰ আৰু পৰিচালক) আৰু মুকুল নাথ



কৰবী কলিতা
শ্ৰেষ্ঠা অভিনেত্ৰী




গোলাপ শৰ্মা
শ্ৰেষ্ঠ খেলুৱৈ



অণিমা নাথ
শ্ৰেষ্ঠা গায়িকা

# ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

## ১৯৯৫-৯৬ বৰ্ষ



জয়ন্ত কুমাৰ নাথ
সাধাৰণ সম্পাদক




নব কলিতা
সম্পাদক, সাংস্কৃতিক বিভাগ



ভূপেন কেওট
সহঃ সাধাৰণ সম্পাদক




ৰাতুল কুমাৰ ডেকা
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ
(ফটো পোৱা নগ'ল)



দিপেন বড়া
সম্পাদক, আলোচনী বিভাগ




কনক শইকীয়া
সম্পাদক, সমাজ সেৱা



মহেশ বৰুৱা
সম্পাদক, খেল বিভাগ



দিপালী বৰদলৈ
শ্ৰেণী প্ৰতিনিধি



মণি গোপাল শৰ্মা
শ্ৰেণী প্ৰতিনিধি

# ছিপাঝাৰ মহাবিদ্যালয় আলোচনীৰ

## সম্পাদক-তত্বাৱধায়ক সকল

| সম্পাদক | তত্বাৱধায়ক | চন |
| --- | --- | --- |
| নন্দিৰাম কলিতা | দ্বীজেন্দ্ৰ তালুকদাৰ | ১৯৮২-৮৩ |
| কোমল হাজৰিকা | দ্বীজেন্দ্ৰ তালুকদাৰ | ১৯৮৩-৮৪ |
| দিলীপ কুমাৰ শইকীয়া | মহেন্দ্ৰ কটকী | ১৯৮৪-৮৫ |
| নিৰণ নাথ | দেৱব্ৰত বৰদলৈ | ১৯৮৬-৮৭ |
| তপন কুমাৰ নাথ | মোহিনী গোস্বামী | ১৯৮৭-৮৮ |
| প্ৰিয় কুমাৰ বৰুৱা | ৰাম চন্দ্ৰ ডেকা | ১৯৮৮-৮৯ |
| আখতাৰ হুছেইন | ৰাম চন্দ্ৰ ডেকা | ১৯৮৯-৯০ |
| নীলমণি বৰুৱা | ৰাম চন্দ্ৰ ডেকা | ১৯৯০-৯১ |
| মণ্টু চহৰীয়া | জয়ন্ত হাজৰিকা | ১৯৯১-৯২ |
| | তন্দ্ৰালী চৌধুৰী | |
| মণ্টু চহৰীয়া | বিদ্যাৰাম নাথ | ১৯৯৩-৯৪ |
| দিলীপ কুমাৰ শৰ্মা | প্ৰসন্ন কুমাৰ নাথ | ১৯৯৪-৯৫ |
| দিপেন বড়া | ড° ৰামচন্দ্ৰ ডেকা | ১৯৯৫-৯৬ |